চান্দমামা

ছেপটে'মবাৰ ১৯৯২



চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰব

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

PolioPlus

Sept, 92

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

চান্দমামা

*

ছেপ্টেম্বৰ ১৯৯২

এই * আছে

সংখ্যাত

*

উৎসৱ আৰু জাতীয় একতা		৭
আফগানি শান্তিয়নী	:	৯
মানৱ—দানৱ	:	১১
ৰাজনীতি	:	১৫
মায়া মহল	:	১৭
সোণসেৰীয়া কথা	:	২৫
অপৰিশোধ্য	:	৩১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
বস্তাবন্ধা মান	:	৩৭
চাঁচৰি	:	৪১
অক্ষম অলৌকিকত্ব	:	৪১
বীৰ হনুমান	:	৪৫
পাদুকা-যোগী	:	৫৩
নৰাক্ষৰী দণ্ড	:	৫৭
হাতে হানি	:	৬১
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

MAGGI CLUBBERS FUN LOVERS
MAGGI CLUB
'মেগী স্কাই ব্ৰেকাৰ' ভাবৰ চেৰাই উৰা মাৰা।
'মেগী জিগচ' পাজল'-ৰে মেগীৰ ৰোমাঞ্চক জগত জয় কৰা।
'মেগী এচ এডভেঞ্চাৰ' গেমত সাগৰৰ পৰা আকাশলৈ যোৱাৰ ৰোমাঞ্চ অনুভৱ কৰা।
'মেগী হু-ডান-ইট' ৰহস্যময় গেম
অকণ-অকণিহঁতৰ ক্লাবে
ৰোমাঞ্চক আকৰ্ষণ!
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে!
'মেগী ৰেইডাৰ্ছ অৱ দা ৰে'ড ষ্টাৰ' গেমত অজান মুলুকৰ ধূৰ্ত সকলৰ লগত সমানে যেন মাৰা।
অকণ অকণিহঁত আহাঁ! মেগী ক্লাবত যোগ দিয়া আৰু প্ৰৱেশ কৰা মেগীৰ ৰোমাঞ্চক জগতখনত!
তোমালোকে কেৱল এই চিহ্নটো মেগী নুডলছৰ ৫ টকীয়া খালি পেকেটৰ সমুখ ফালৰ পৰা কাটি উলিওৱা আৰু নিজৰ পচন্দৰ প্ৰতিটো বিনামূলীয়া উপহাৰ পাবৰ বাবে আমালৈ পঠাই দিয়া। তোমালোকে ৬-৮ সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা পাবা মনোমোহা উপহাৰ। কি উপহাৰ লাগে সেই কথাৰ লগতে নিজৰ নাম, ঠিকনা আৰু জন্মৰ তাৰিখ জনাবলৈ নাপাহৰিবা। তোমালোকৰ মাজৰ মেগী ক্লাব সদস্য সকলে সদস্য নম্বৰো জনাবা। এতিয়াও সদস্য নোহোৱা সকলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা মতে বিতং বিৱৰণবোৰ পঠাওতে সদস্যতা কাৰ্ড বিচাৰি লিখিবা। আমি উপহাৰৰ লগতে বিনামূলীয়াকৈ মেগী ক্লাব সদস্যতা কাৰ্ড পঠাই দিম!
আমাৰ ঠিকনা:
MAGGI CLUB
P.O. Box 5788 New Delhi-110 055
বিনামূল্যে মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা!
তোমালোকে গোটোৱা প্ৰতি ২ টকীয়া উপহাৰৰ বাবদ পাবা মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা — বিনামূল্যে।
MAGGI
2-Minute Noodles
আৰু এটা কথা। তোমালোকে যদি মেগী বাৰ্ডছাউছ এতিয়াও গোটোৱা নাই তেনেহলে এতিয়া গোটোৱা।

GET OFF TO A FLYING START *with*



LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.



LION *Gee-flo®* BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992

OFFICIAL LICENSEE OF THE WORLD CUP

National-766

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

উৎসৱ আৰু জাতীয় একতা

ক্যালেণ্ডাৰৰ প্ৰথম ছমাহৰ সৈতে দ্বিতীয় ছমাহ ৰিজাই চালে দ্বিতীয় ছমাহত আমাৰ দেশৰ সুপ্ৰচুৰ উৎসৱ-পৰ্বৰ দিন পৰিলক্ষিত হয়। বিছুমান উৎসৱ যদিও ধৰ্মৰ সৈতে সংযুক্ত, তথাপি, উৎসৱৰ প্ৰকৃত আনন্দই ধৰ্মৰ গণ্ডি নামানে, ধৰ্মীয় সীমাবদ্ধতাক নামানে।

উৎসৱে বিভিন্ন ধৰ্মীয়-বিশ্বাসৰ মানুহক সহজেই একতাৰ ডোলেৰে বান্ধিব পাৰে। উৎসৱে সকলোকে সকলোটিৰ ওচৰ চপাই আনে, ইজনক সিজনৰ সৈতে একাত্ম কৰি তোলে। এনেদৰেই, এই একাত্মতাই আমাক আনৰ দুখতো দুঃখী কৰি তোলে।

উৎসৱে পৰস্পৰক কেনেকৈ নিকটাত্মীয় কৰি তোলে তাৰ উদাহৰণস্বৰূপে আমি মুছলিম ধৰ্মৰ ঈদ উৎসৱৰ কথা দাঙি ধৰিব পাৰোঁ। এজন অনা-মুছলমান হয়তো মছজিদত নোসোমাব, কিন্তু ঈদৰ আনন্দ-উৎসৱত যোগ দিবলৈ কাৰো কোনো বাধা নাই। এজন অনা-খ্ৰীষ্টানে বৰদিনৰ 'মিডনাইট ম্যাছ'ত যোগদান নকৰিব, কিন্তু বৰদিনৰ উৎসৱৰ আনন্দৰপৰা আঁতৰি নাথাকিব। একেদৰেই, এজন অনা-হিন্দুৰেও হিন্দু উৎসৱত যোগদান কৰাত কোনো বাধা নাই।

এইদৰে আজিৰ উছৱ-পৰ্ববোৰে এক আন্তৰ্জাতিক ৰূপ পৰিগ্ৰহ কৰিছে। দশহৰা, দীপাৱলী, বৰদিন, পোংগল, হোলি বা ফাকু-উৎসৱ, বকৰ্-ঈদ, বিহু বা বিহু, বৈশাখী, ওনম— আদি উৎসৱৰ নাম উল্লেখ কৰিব পাৰি—যিবোৰ উৎসৱ দৰাচলতে জাতীয় ঐক্যৰ প্ৰতীক।

বছৰ : ১৭ : ছেপ্টেম্বৰ ১৯৯২   সংখ্যা : ৬

বছৰেকীয়া বৰঙণি ৪৮·০০ টকা :: খনে ৪·০০ টকা

CHITRA

সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

"গাখীৰৰ গুণে ভৰা, পুষ্টিও আছে ওপচি, সেয়ে যঁও খাবলৈ সকলো নেওচি।
এনে এটা চকোলেট - আছেনু সকলো যত, কেম্পকো ক্ৰীমি মিল্কি চকোলেট।"

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লান্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ ·

R K SWAMY/BBDO CL 10117 AS

পৃথিৱীৰ খিৰিকীৰে

আফগানি শান্তিয়নী

বিগত চৌধ বছৰ ধৰি আফগানিস্তান যুদ্ধেৰে থকা-সৰকা হৈ আছিল। তদানীন্তন ছোভিয়েতৰদ্বাৰা প্ৰতিষ্ঠিত বাবৰক কাৰমাল-চৰকাৰৰ বিৰুদ্ধে আৰু পাছত ড° নাজিবউল্লাহ্ চৰকাৰৰ বিৰুদ্ধে মুজাহিদীন গৰিলাই যুঁজি আছিল। আৰু লগতে আফগানিস্তানৰ অসংখ্য উগ্ৰবাদীইঁতেও যুঁজি আছিল।

পাছত ড° নাজিবউল্লাই যেতিয়া ৰাষ্ট্ৰপতি পদৰপৰা অব্যাহতি ল'বলৈ বিচাৰিলে, তেতিয়া প্ৰোফেছৰ ছিবাগতুল্লাহ্ মুজাদীদীয়ে যাতে অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰে তাৰ বাবে তেওঁক অনুৰোধ কৰা হ'ল। তেওঁ ৩১ সদস্যৰ এক কাউন্সিল, অৰ্থাৎ বিচাৰসভা' গঠন কৰি উগ্ৰ মতাৱলম্বী হজ্‌বে ইছলামীৰ নেতা গুলাবউদ্দিন হেক্‌মতয়াৰক এই বিচাৰসভাত অৰ্থাৎ ৩১ জনীয়া কাউন্সিলত যোগ দিবলৈ আহ্বান জনালে। হেক্‌মতয়াৰ মান্তি হ'ল, কিন্তু চৰ্ত আৰোপ কৰা হ'ল। চৰ্তসমূহৰ মাজত প্ৰধান চৰ্ত আছিল—নাজিবউল্লাহ্ চৰকাৰৰ জেনাৰ্যাল অব্দুল ৰছীদ দোস্তমৰ নেতৃত্বত থকা উজবেক সৈন্যবিলাকক আফগানিস্তানৰপৰা খেদি পঠাব লাগিব। প্ৰোফেছৰ ছিবাগতুল্লাই ক'লে, যে হেক্‌মতয়াৰে বিনা চৰ্তত

কাউন্‌ছিলত যোগ দিব লাগে। স্বৰাষ্ট্ৰমন্ত্ৰী অহমদশ্বাহ মাছুদ, জমাত-এ-ইছলামীৰ নেতা আদিও এই প্ৰস্তাৱৰ সমৰ্থক আছিল।

ইতিমধ্যে—হজ্‌ব-এ-ইছলামীৰ সৈন্য-বিলাকে জেনাৰ্য্যাল দোস্তমৰ সৈন্যবাহিনীৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰি কাবুলত বোমা বৃষ্টি কৰিলে। কিছুমান অট্টালিকা ধ্বংস হ'ল আৰু ৰাষ্ট্ৰপতি ভৱনও আংশিক ধ্বংস হ'ল। গতিকে—এতিয়াই আফগানিস্তানৰপৰা সৈন্য প্ৰত্যাহাৰ কৰাটো অনুচিত হ'ব বুলি অন্তৰ্বৰ্তীকালীন চৰকাৰেৰায় দিলে।

জলালউদ্দিন হক্কানীৰ নেতৃত্বত এক মধ্যস্থতা আয়োগ গঠিত হ'ল আৰু এই আয়োগে সকলো বিৰোধী গোষ্ঠীৰ সৈতে আলাপ-আলোচনা কৰি এক আপোচ-মীমাংসাত উপনীত হ'বলৈ চেষ্টা চলালে। হেক্‌মতয়াৰৰ সৈতে এই আয়োগে প্ৰচুৰ বাৰ্তালাপ কৰিলে। তাৰ ফলত, বিগত ২৫ মে' তাৰিখৰ এক বিৰাট জন-সমাবেশত এই সিদ্ধান্ত ল'ব পৰা হ'ল যে—পুৰণি শত্ৰুতাৰ অন্ত পেলাব লাগে আৰু অন্তৰ্বৰ্তীকালীন ঐস্লামিক চৰকাৰৰ পৃষ্ঠপোষণা কৰিব লাগে। তাৰ পাছত সকলো ধৰণৰ যুদ্ধৰ অস্ত্ৰ পেলোৱা হ'ল।

ছমাহৰ ভিতৰত নিৰ্বাচনৰ বন্দবস্ত কৰিব লাগে আৰু কাবুলৰ পৰা সৈন্য ওভাই পঠাব লাগে—এই সিদ্ধান্ত লোৱা হ'ল। হেক্‌মতয়াৰে ঘোষণা কৰা হ'ল যে—কাবুলত যিমান দিনলৈ সৈন্য থাকিব, সিমান দিনলৈ তেওঁৰ পক্ষে বৰ্ত্তমান এই চৰকাৰত অংশগ্ৰহণ কৰা উচিত নহ'ব। কিন্তু নিৰ্বাচন সমাপ্ত নোহোৱালৈকে কাবুলত সৈন্য মজুদ ৰখাটো অতি আৱশ্যকীয় বুলি ভবা হৈছে। আনকি—বৰ্তমান অন্তৰ্বৰ্তীকালীন চৰকাৰৰ অস্তিত্বৰ বাবেও সৈন্যবাহিনীৰ সমধিক আৱশ্যকতা অনুভূত হৈছে।



মানৱ—দানৱ

তেতিয়া স্বৰ্ণপুৰী ৰাজ্য—আছিল ৰাজ ধৰ্মবৰ্ধনদেৱৰ শাসনাধীন। তেওঁৰ পুত্ৰী স্বৰ্ণমুখীৰ সৌন্দৰ্য্যখ্যাতি দশোদিশে বিয়পি পৰিছিল আৰু গৈ গৈ কৌণ্ডিন্য-পুৰীও পাইছিলগৈ।

কৌণ্ডিন্যপুৰীৰ ৰজা আছিল সৰ্পদংষ্ট্ৰ। স্বৰ্ণপুৰীৰ তুলনাত কৌণ্ডিন্যপুৰী ৰাজ্য-অনেক ডাঙৰ আৰু ৰজা ধৰ্মবৰ্ধনৰ তুলনাত ৰজা সৰ্পদংষ্ট্ৰও আছিল অধিক পৰাক্ৰমী!

এদিন ৰজা সৰ্পদংষ্ট্ৰই তেওঁৰ এজন কটকীৰ যোগে ৰজা ধৰ্মবৰ্ধনলৈ পত্ৰ এখন পঠালে—ৰাজকুঁৱৰী স্বৰ্ণমুখীক তেওঁ বিয়া কৰাবলৈ মন মেলিছে।

পঞ্চম পত্নী হিচাপে নিজৰ পুত্ৰীক দিয়াৰ মন নথকাৰ কথাটো ক্ৰোধ দমাই ৰাখি ধৰ্মবৰ্ধনে কটকীক কৈ দিলে।

সৰ্পদংষ্ট্ৰই স্বৰ্ণপুৰী আক্ৰমণ কৰিলে আৰু মহাৰাজ-মহাৰাণীক বন্দী কৰি কাৰাগাৰত ভৰাই থৈ দিলে।

তাৰ পাছত সৰ্পদংষ্ট্ৰই ৰাজকুঁৱৰী স্বৰ্ণমুখীক ক'লে, "মই তোমাৰ ৰূপমুগ্ধ, আৰু তোমাক মই বিবাহ কৰামেই। যদি তুমি সহজতে মোক স্বামীৰূপে বৰণ কৰি লোৱা, মহাৰাজ-মহাৰাণীক মই এতিয়াই মুক্ত কৰি দিম, অধিকৃত ৰাজ্য ঘূৰাই দিম। কিন্তু—তুমি যদি মান্তি নহৈছা—।"

স্বৰ্ণমুখীয়ে ক'লে, "লাগিলে এটা ৰাক্ষসকো বিয়া কৰাম, তথাপি তোমাৰ কুপ্ৰস্তাৱত কেতিয়াও মান্তি ন'হম।"

সৰ্পদংষ্ট্ৰই তাৰ জুইহেন ক্ৰোধ দমাই স্বৰ্ণমুখীক ক'লে, "মই তোমাক এমাহলৈ সময় দিছোঁ। এই এমাহৰ ভিতৰতে

চিত্ৰলেখা সিংহ

মনস্থিৰ কৰি যদি ভালে ভালে সম্মত হোৱা—ভালেই, নতুবা কাক কেনেকৈ পোনাব লাগে আমি জানো।"

এইদৰে, স্বৰ্ণমুখীক জলাই থৈ সৰ্পদংষ্ট্ৰ তাৰপৰা গুচি গ'ল আৰু লগে লগে তাত এটা বিকটাকাৰ ৰাক্ষস ক'ৰবাৰপৰা ওলাল'হি।

ৰাক্ষসটোৱে স্বৰ্ণমুখীক ক'লে, "দেখিছাই—মই এটা ৰাক্ষস। মোৰ নাম হ'ল কঞ্চুক। মই অদৃশ্য হৈ এই ফালেদি গৈ থাকোঁতে তোমাৰ এযাৰ কথা শুনি ৰৈ দিলোঁ। তুমি মোক বিবাহ কৰালে ইমান যে মই ভাল পাম!"

ৰাজকুঁৱৰী স্বৰ্ণমুখীয়ে তাক ক'লে, "কৈছিলোঁ মই, হয়—খঙতেহে কৈছিলোঁ। কিন্তু সেই বুলি সঁচাসঁচিকৈ মানৱীয়ে কেনেকৈনো ৰাক্ষসক বিয়া কৰাব?"

"তুমি হ'লা ৰজাৰ কুঁৱৰী—নিজৰ কথা নিজেই ভংগ কৰাটো তোমাক নুশুৱায়।" ৰাক্ষসটোৱে ক'লে।

এইবাৰ ৰাজকুঁৱৰীয়ে কুকুৰাৰ হাতৰপৰা পঞ্চমুখীয়াৰ হাতত পৰা যেন পালে। সৰ্পদংষ্ট্ৰৰ কবলৰপৰা ৰাক্ষসৰ গৰাহলৈ। কিছু সময়লৈ ভবা-গুণা কৰাৰ অন্তত ৰাজকুঁৱৰীয়ে ৰাক্ষসক ক'লে, "মোক বিবাহ কৰাবলৈ হ'লে মোৰ তিনিটা চৰ্ত মানিব লাগিব।"

"কেনেকুৱা চৰ্ত?" ৰাক্ষসটোৱে ৰাজকুঁৱৰীক সুধিলে!

"প্ৰথম চৰ্ত হ'ল—তুমি এই মুহূৰ্তৰে-পৰাই মাংস ভক্ষণ এৰি দিব লাগিব। দ্বিতীয় চৰ্ত হ'ল—হিংস্ৰতা সম্পূৰ্ণৰূপে পৰিহাৰ কৰি সহজ-স্বাভাৱিক-নম্ৰ মানৱীয় আচাৰ-আচৰণ কৰিব লাগিব। আৰু—তৃতীয় চৰ্ত হ'ল—আমাৰ ৰাজ্যৰ মাজেদি বৈ যোৱা জীৱনধাৰা নামৰ একমাত্ৰ নৈৰ জলধাৰা বিৰাট পাহাৰ এটাই বাধা দিছে, এই পাহাৰটোক যেনেকৈয়েই নহওক গুচাব লাগিব।"

কঞ্চুকে স্বৰ্ণমুখীলৈ চালে আৰু ক'লে, 'পাহাৰ—মই এতিয়াই গুচাই দিব পাৰোঁ। বৰ টান কাম নহয়। কিন্তু—প্ৰথম আৰু দ্বিতীয় চৰ্ত দুটাহে টানৰো টান। তথাপি, চেষ্টা কৰিম।" এই বুলি কৈয়েই ৰাক্ষসটো পুনৰ অদৃশ্য হৈ গল।"

এসপ্তাহৰ ভিতৰত স্বৰ্ণমুখীয়ে বিস্মিত দৃষ্টিৰে তেওঁলোকৰ ৰাজ্যৰ জীৱনপ্ৰবাহ জীৱনধাৰা নৈ পাহাৰৰ বাধামুক্ত হৈ কুলুকুলু সুৰে ছন্দোময় গতিৰে বৈ অহা দেখা পালে আৰু স্বৰ্ণমুখীৰ এই বিস্মিত দৃষ্টিৰ আগত পুনৰ ওলালহি কঞ্চুক।

কিন্তু কঞ্চুক এতিয়া আৰু আগৰ দৰে হৈ থকা নাই, এতিয়া সি খীণাই গ'ল, যথেষ্ট দুৰ্বল যেন লাগিল তাক।

তাৰ এনেকুৱা অৱস্থা কিয় হ'ল—ৰাজকুঁৱৰীয়ে সোধাত কঞ্চুক ৰাক্ষসে ক'লে, "তোমাৰ প্ৰথম চৰ্ত মতে মাংস খাৱন—একেবাৰে বাদ দিলোঁ। কেৱল কন্দ-ফল-মূল খাই জীয়াই থকা বেছ টানেই।"

তেতিয়া স্বৰ্ণমুখীয়ে ক'লে, "কঞ্চুক, তোমাৰ নিচিনা পত্নীপ্ৰেমীক কোনজনী ছোৱালীয়েনো বিয়া নকৰাব? ময়ো তোমাক বিয়া নকৰাই নোৱাৰিম। কিন্তু আগতে কৌণ্ডিন্যপুৰীৰ ৰজা মহাধূৰ্ত সৰ্পদংষ্ট্ৰক বধ কৰিব লাগিব।" এই বুলি কৈ, ৰজা সৰ্পদংষ্ট্ৰৰ কাহিনী ৰাজকুঁৱৰীয়ে কঞ্চুক ৰাক্ষসক ক'লে।

ঘটনাৰ কথা শুনি ৰাক্ষস কঞ্চুকে কেইমুহূৰ্তমানলৈ ভাবিলে আৰু তাৰ পাছত ৰাজকুঁৱৰীক ক'লে, "সৰ্পদংষ্ট্ৰক বধ কৰাটো মোৰ পক্ষে কোনো কামেই নহয়, কেঞা আঙুলিৰো সমান নহয়। কিন্তু—তোমাৰ দ্বিতীয় চৰ্ত মতে মই এতিয়া অতি শান্ত প্ৰকৃতিৰ হ'লোঁ। এতিয়া আৰু হিংসাৰ বাটেৰে বাট বুলিব নোৱাৰিম।"

ৰাক্ষস কঞ্চুকৰ মুখে এই কথা শুনি ৰাজকুঁৱৰী স্বৰ্ণমুখীৰ অন্তৰত আনন্দৰ জোৱাৰ উঠিল। তেওঁৰ কাৰণে কঞ্চুক

কৰিম ? যুক্তি কি ? — পিছে—আমাৰ বিবাহত যদি বাধা দিবলৈ আহে—কথা বেলেগ হ'ব।"

ৰাক্ষস হ'লেও তাৰ কথাত যে যুক্তি আছে, ৰাজকুঁৱৰীয়ে মুই কৰিব নোৱাৰিলে। তাৰ পাছত তেওঁ ক'লে, "ঠিক আছে—মোক কিছুদিনলৈ ভবা-গুণা কৰিবলৈ দিয়া। সাত দিনৰ অন্তত আমি পুনৰ এইখন উদ্যানতে নিশ্চয় দেখাদেখি হ'ম।"

এসপ্তাহ পাৰ হ'ল। কথা মতে উদ্যানত এজোপা গছৰ তলত ৰাজকুঁৱৰী স্বৰ্ণমুখী বহি আছিল আৰু চিন্তা কৰি আছিল যে কঞ্চুকৰাক্ষসৰ বিষয়ে কি কৰিব পাৰি।

ভাবি থাকোঁতেই কঞ্চুক ৰাক্ষস ওলালহি তাত, আৰু—কথা অতি আচৰিত যেন লাগিলেও—চোৰাংচোৱা-হঁতৰ মুখে সম্বদে পাই ধুমুহা অহাদি তালৈ আহিল সসৈন্য সৰ্পদংষ্ট্ৰ!

সৰ্পদংষ্ট্ৰই তকো নোসোধাকৈয়েই খাপৰপৰা তৰোৱাল উলিয়াই লৈ চিৎকাৰ কৰি কঞ্চুক ক'লে, "হাৰে ৰাক্ষসাধম! তইহেনে ভুৱনসুন্দৰীক বিয়া কৰাব, তাকো আক' মোৰে সৈতে ফেৰ পাতি! বাৰু, তোৰ মাৰৰ বিয়া দেখুৱাওঁ, ৰঃ।"

এই বুলি কৈ সৰ্পদংষ্ট্ৰই জাঁপ মাৰি

ৰাক্ষস হৈয়ো মানৱীয় গুণ আৰ্জিবলৈ কিমান যে চেষ্টা কৰিছে!

তথাপি স্বৰ্ণমুখীয়ে ক'লে, "সৰ্পদংষ্ট্ৰ জীয়াই থকালৈকে আমাৰ বিবাহ সি দুষ্টই পাতিবলৈ নিদিব। সি সলি-সিয়ানে মোক বিয়া কৰাবলৈ নাপাই আমাৰ ৰাজ্য আক্ৰমণ কৰি দখল কৰিলে, মা-দেউতাক কাৰাগাৰত ভৰাই থ'লে।"

তথাপি এই প্ৰস্তাৱত সন্মত নহৈ ৰাক্ষস কঞ্চুকে ক'লে, "চোৰা—দুষ্টৰ দমনত কোনো পাপ নহয়। কিন্তু সৰ্পদংষ্ট্ৰই মোৰ প্ৰতি সামান্যতম অন্যায়ো কৰা নাই। কেনেকৈনো তেওঁক মই বধ

কঞ্চুকৰ পিনে আগুৱাই গ'ল আৰু চকুৰ পচাৰ নৌপৰোঁতেই কঞ্চুকে সৰ্পদংষ্ট্ৰৰ হাতৰ তৰোৱাল কাঢ়ি লৈ দলিয়াই পেলাই সাতাশৱালৰ বাগি দিব পৰা পামৰ সৰ্পদংষ্ট্ৰক দুহাতেৰে দাঙি শূন্যলৈ দলিয়াই দিলে। সৰ্পদংষ্ট্ৰ তৎক্ষণাৎ তেজ বঁতিয়াই মৰিল আৰু তাৰ চিপাহীবোৰ ফেঁটীৰ মূৰ ছিঙা লৰ দি পলাল।

তাৰ পাছত, ৰাক্ষস কঞ্চুকে কৌণ্ডিন্য-পুৰীৰ কাৰাগাৰৰপৰা স্বৰ্ণপুৰীৰ মহাৰাণীক মুক্ত কৰিলে।

ৰাক্ষস এটাই এই কাম কৰাত মহাৰাজ অতি বিস্মিত হ'ল। তেতিয়া জীয়েক স্বৰ্ণমুখীয়ে তেওঁক সকলো কথা বুজাই কোৱাত কিছু অনিচ্ছা সত্বেও এনে এক উপকাৰী ৰাক্ষসৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহত মৌন সন্মতি প্ৰদান কৰিলে। কিন্তু মহাৰাণী অতি বিমৰ্ষ হ'ল।

যি কি নহওক, এক শুভ মুহূৰ্তত ৰাক্ষস কঞ্চুকে ৰাজকুঁৱৰী স্বৰ্ণমুখীৰ কণ্ঠত মংগলসূত্ৰ পিন্ধাই দিলে আৰু ৰাজকুঁৱৰীয়ে দিলে ৰাক্ষসৰ ডিঙিত বৰমাল্য। আৰু—লগে লগে এক আশ্চৰ্য্য ঘটনা ঘটিল। কঞ্চুক ৰাক্ষস গুচি এজন অতি সুদৰ্শন ৰাজকোঁৱৰৰ হৈ পৰিল!

তেতিয়া কঞ্চুকৰপৰা জনা গ'ল যে তেওঁ আছিল কোনোবা এজনী দেৱ-কন্যাৰদ্বাৰা অভিশপ্ত ৰাক্ষস। কোনোবা মানৱী ৰাজকন্যাই স্বইচ্ছাৰে বিবাহ কৰালেহে তাৰ ৰাক্ষসৰূপ গুচিব বুলি দেৱকন্যাই কৈছিল।

এইবাৰ মহাৰাণীৰ পাৰ ওপোচা সুখতো শোকৰ ছায়া পৰিল। কিয়নো—নব-বিবাহিতা ৰাজকুঁৱৰী স্বৰ্ণমুখীক ৰাজকোঁৱৰৰ কঞ্চুকে তেওঁৰ নিজ ৰাজ্য বৎসলদেশলৈ লৈ গ'ল।

পাছত ৰাক্ষস গুচি ৰাজকোঁৱৰৰ কঞ্চুকে স্বৰ্ণপুৰী ৰাজ্যও শাসন কৰিছিল।

ৰাজনীতি

হেমন্তপুৰ ৰাজ্যৰ ধন-ভঁৰালী বীৰভদ্ৰৰ বিৰুদ্ধে মহাৰাজে অনেক অভিযোগ পালে। ধন ভঁৰালী বীৰভদ্ৰই হেনো হিচাপৰ বহীত যিহকে-তিহকে লিখি নানান ধৰণে ইফাল-সিফাল কৰি থৈ ৰজাৰ ধন-ভঁৰালৰ ধন সৰকায়। কিছুমান ৰাজকৰ্মচাৰীয়ে বীৰভদ্ৰক প্ৰকাশ্যেই ভ্ৰষ্টাচাৰী বুলি কয়।

এদিন মহাৰাজে বীৰভদ্ৰক যেতিয়া মতাই পঠালে, তেতিয়া বীৰভদ্ৰৰ বিৰুদ্ধে অভিযোগকাৰী মানুহখিনিয়ে ভাবিলে : এইবাৰ সত্যনাৰায়ণৰ ভতিজাকক মহাৰাজে নিশ্চয় খেদিব, তাক ভাত নোহোৱা খাটত থ'ব। কিন্তু মহাৰাজে বীৰভদ্ৰক এই বিষয়ে মাত্ৰ সাৱধান কৰি এৰি দিলে, ক'লে যে—আগলৈ যদি কেতিয়াবা হিচাপৰ গৰমিল ধৰা পৰে—ক্ষমা কৰা নহ'ব।

কিয় যে ভ্ৰষ্টাচাৰী ইতৰ বিৰুদ্ধে সদায় কঠোৰ ব্যৱস্থা লোৱা মহাৰাজে বীৰভদ্ৰক এইদৰে এৰি দিলে, কোনেও তাৰ তলা-নলা বিচাৰি নাপালে। আনকি—মহাৰাণীয়েও মহাৰাজৰ কামত আচৰিত মানি—শেহান্তৰত কথাটো মহাৰাজক সুধিয়েই পেলালে।

মহাৰাজে মৃদুকৈ হাঁহি মাৰি ক'লে, "বীৰভদ্ৰই তেওঁৰ—দেখাত অলপো সুন্দৰ নোহোৱা ছোৱালী দুজনীৰ বিয়া পাতিলে, থকা-ঘৰ নাছিল তেওঁৰ, সকুসুৰা ঘৰ এটা সাজিলে। তেওঁৰ বয়সও ঢেৰ হ'ল—এই বয়সত কামৰপৰা বৰ্খাস্ত কৰিলে বেচাৰাই ক'তনো আৰু কাম পাব? এইবোৰ নানান কথা ভাবি বীৰভদ্ৰক মই বৰ্খাস্ত নকৰিলোঁ, হিচাপৰ গৰমিল দেখিও নেদেখি মাত্ৰ সাৱধান কৰি এৰি দিলোঁ। আগলৈ এনে ভ্ৰষ্টাচাৰী কাম বীৰভদ্ৰই নিশ্চয় কৰিবলৈ সাহসী নহ'ব। আৰু—বীৰভদ্ৰৰ সলনি এই কামত নতুনকৈ কাৰোবাক মকৰল কৰাহেঁতেন কিছুদিনৰ পাছত কথা একেই হ'লহেঁতেন, একেই কামৰ পুনৰাবৃত্তি হ'লহেঁতেন। বীৰভদ্ৰক নেখেদি সেই পুনৰাবৃত্তি মই বন্ধ কৰিলোঁ। এতিয়া—আপুনিয়েই কওক মহাৰাণীজী, মই যি কৰিলোঁ—ঠিকনে বেঠিক।" মহাৰাণীয়ে হাঁহি মাৰি ক'লে যে মহাৰাজৰ ৰাজনীতিয়েই ঠিক।

মায়া মহল

৪

[জ্যোতিষাচাৰ্য্যৰ আৰু জগৎপতিৰ পৰামৰ্শমতে মহাৰাজ-মহাৰাণী তৃতীয়বাৰৰ বাবে তেওঁলোকৰ পুত্ৰী ৰাজকুঁৱৰী বিদ্যাৱতীক সাৰস সৰোবৰৰ বিশ্ৰাম গৃহলৈ চাবলৈ গ'ল। তালৈ সে ৰাৰ পাছত, তাত তন্ন তন্নকৈ বিচাৰিও ৰাজকুঁৱৰীক নাপাই মহাৰাজে সেনাপতি উগ্ৰসেনক মতাই অনাইছিল। কিন্তু সেনাপতি উগ্ৰসেনে এই নোহোৱা হোৱাৰ গূঢ় ৰহস্যৰ ওৰ বিচাৰি নোপোৱাত তেওঁলোকে বেদনাগধুৰ হৃদয়ে প্ৰাসাদলৈ উভতি আহিছিল। তাৰ পাছত...]

মহাৰাজ-বীৰসেন আছিল ৰাজ-দৰবাৰত সিংহাসনত উপৱিষ্ট। মন্ত্ৰিবৰ্গ, সেনাপতি, পৰামৰ্শদাতা আৰু অন্যান্য শুভানুধ্যায়ীসকলও দৰবাৰত নিৰৱে বহি আছিল।

সমগ্ৰ দৰবাৰত নিৰৱতা বিয়পি পৰিল। এই নিৰৱতাৰ মাজতে উগ্ৰসেনে মহাৰাজক সুধিলে, "মহাৰাজ! জগৎপতাচাৰ্য্য আচলতে কোননো?"

"তেওঁ হ'ল—আমাৰ প্ৰধান জ্যোতিষাচাৰ্য্যৰ মিত্ৰ। তেৱোঁ হ'ল এগৰাকী মহান জ্যোতিষাচাৰ্য্য। জটিল সমস্যাৰ ক্ষেত্ৰত আমাৰ প্ৰধান জ্যোতিষাচাৰ্য্যই এইগৰাকী—জগৎপতাচাৰ্য্যৰপৰা পা-পৰামৰ্শ লয়।"

ৰাজকুঁৱৰী সাৰস সৰোবৰৰপৰা অদৃশ্য হোৱাৰ বাতৰি যেতিয়া সমগ্ৰ ৰাজ্যত

প্ৰচাৰিত হ'ল, তেতিয়া হৈ হুলস্থুল লাগি পৰিল। এগৰাকী বৃদ্ধাই ক'লে "আমাৰ ৰাজকুঁৱৰীৰ অপহৰণকাৰীটো নিশ্চয় আমাৰ ৰাজ্যৰ কোনো নহয়।"

"সাৰস সৰোবৰৰ আশ-কাষৰ হাবি-বন চলথ কৰি চোৱা উচিত।"

যুৱক এজনে ৰৈক উঠিল "সেই হাবি-বনত ভালকৈ বিচাৰি চাব লাগে।"

এনেতে প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ তালৈ আহিল।

বাচস্পতিয়ে মহাৰাজক সুধিলে, "মহাৰাজ! যি শুনিলোঁ—সত্যনে?"

"সত্য। যি নহ'বলগীয়া আছিল, হৈ গ'ল। এতিয়া—হোৱা কথাত অনাৱশ্যক খেদ প্ৰকাশ কৰি লাভ নাই। যদিও—বিদ্যাৱতীৰ কুশল-মংগল জনা অতি আৱশ্যক। আপোনাৰ কথামতেই আমি বিদ্যাৱতীক সাৰস সৰোবৰৰ জিৰণি-ঘৰত থৈছিলোঁ। এতিয়া তাই ক'ত আৰু কেনে আছে—তাৰ ভু লোৱা আৰু পোৱা অতি আৱশ্যকীয় কথা।" মহাৰাজে গম্ভীৰ কণ্ঠেৰে ক'লে।

"আমাৰ বিদ্যাৱতী অতি সহজ-সৰল ছোৱালী। তাই যে কিমান কি অথন্তৰত পৰিছে!" মহাৰাণী কান্দি উঠিল।

প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিদেৱে কেইমুহূৰ্তমানৰ বাবে একো ক'ব নোৱৰা হ'ল। তাৰ পাছত তেওঁ মহাৰাজ-মহাৰাণীক সান্ত্বনাৰ সুৰেৰে ক'লে, "এতিয়া কেৱল কন্দা-কটা কৰাত কোনো ফল নাই। আপোনালোকে ধৈৰ্য্য ধৰক। পূৰ্ণচন্দ্ৰত যেনেকৈ গ্ৰহণৰ ক'লীয়া ছায়া পৰে, ৰাজকুমাৰীৰ ক্ষেত্ৰতো কথা তেনেকুৱাই। মই এতিয়াই ৰাজকুমাৰীৰ সৌৰৱণী পুংখানুপুংখভাৱে অধ্যয়ন কৰি তেওঁ কোন দিশত আছে—অন্ততঃপক্ষে সেইখিনি কথা উলিয়াম আৰু কথাটো যিমান সোনকালে সম্ভৱ আপোনালোকক কৈ যামহি।" এই বুলি কৈ, জ্যোতিষা-

চায্য বাচস্পতি তাৰপৰা গুমাই গুচি গ'ল।

ঘৰ পাই প্ৰধান জ্যোতিযাচাৰ্য্যই ৰাজকুঁৱৰীৰ সোঁৱৰণীখন একাণপতীয়াভাৱে পৰীক্ষা কৰিলে। যিমান সাঁচিপতীয়া তালপতীয়া পুঁথিবোৰ আছিল—সেই সোঁৱৰণীৰ সৈতে ৰিজাই চলথ কৰি চালে। চাই মাত্ৰ ইমানকে আৱিষ্কাৰ কৰিব পৰা হ'ল যে—ৰাজকুঁৱৰী-বিদ্যাৱতী য'তেই নাথাকক, বৰ্তমান, গ্ৰহ-বৈগুণ্যৰ পৰিস্থিতি অনুযায়ী—কোনো গুৰুতৰ বিপদত পৰিব নালাগে। কিন্তু—কিন্তু জগৎপতিদেউৰ কি হ'ল? তেওঁৰ দেখোন কোনো উমঘামেই নাই। একেৰাহে তৃতীয় দিন অতিক্ৰান্ত, জগৎপতিদেৰৰ পাত্তা নাই। প্ৰধান জ্যোতিষাচাৰ্য্যৰ মনত বিভিন্ন প্ৰশ্নই মূৰ দাঙি উঠিল: ৰাজকুঁৱৰীৰ গ্ৰহ-বৈগুণ্যৰ কথা জগৎপতিদেউয়ে কেনেকৈ বিচাৰ কৰিছিল, তেওঁক কিদৰে কি কৈছিল - সকলো কথা এটা এটাকৈ মনত পৰিল তেওঁৰ।

জগৎপতি দৰাচলতে আছিল ৰাজবংশীয় ব্যক্তি। জগৎপতিৰ পিতামহ কৈলাসপতি আছিল হিমগিৰিৰ মহাৰাজ ত্ৰিলোকপতিৰ ভায়েক। বৃদ্ধ ককায়েকৰ কোনো সন্তানাদি নথকাত কৈলাসপতিয়ে আগলৈ ৰজা উঠ্যাৰ সপোন সাজিছিল।

কিন্তু মহাৰাজ ত্ৰিলোকপতিৰ মৃত্যুৰ অন্তত তেওঁৰ ভনীয়েকৰ ল'ৰা উমাপতি সেই ৰাজ্যৰ ৰজা হ'ল।

এইদৰে, ৰাজ্যভ্ৰষ্ট হৈ কৈলাসপতি যেনিয়ে চকু যায় তেনিয়ে—অটব্য অৰণ্যলৈ গ'লগৈ। হঠাৎ এদিন কৈলাসপতিৰ মনত আসক্তি জাগিল জ্যোতিষশাস্ত্ৰলৈ। এই বিদ্যাকে গভীৰভাৱে অনুধাৰন তথা অনুশীলনৰ বাবে কৈলাসপতি দেশে দেশে ভ্ৰমি থাকিল। জ্যোতিষৰ গূঢ় তত্ত্বৰ জ্ঞান লভিবলৈ, মানৱৰ জীৱনত ভাগ্যৰ বিচিত্ৰ খেলা চাই-চায়েই কৈলাসপতিৰ জীৱন গ'ল।

কৈলাসপতিৰ পুত্ৰ জগৎপতিও জ্যোতিষশাস্ত্ৰ প্ৰতি আকৰ্ষিত হৈছিল। কৈলাসপতিয়ে পুত্ৰক জ্যোতিষ-শাস্ত্ৰ, আৰু লগতে আৰণ্যক জাতি-উপজাতিৰপৰা প্ৰাপ্ত মন্ত্ৰ-তন্ত্ৰও শিকাই দিছিল।

জগৎপতিয়ে তেওঁৰ ককাক-আজো ককাকৰ আমোলৰ—অৰণ্যৰ সীমান্তত থকা ৰাজ-প্ৰাসাদ সুদৃঢ় আৰু দুৰ্ভেদ্য কৰি তুলিছিল। জগৎপতিয়ে জ্যোতিষ আৰু তন্ত্ৰ-মন্ত্ৰতো অভাৰিত দক্ষতা আৰ্জিছিল।

কিন্তু এইবোৰ বিদ্যাত দক্ষতা আৰ্জিয়েই জগৎপতি তুষ্ট হৈ থকা নাছিল। মনত তেওঁৰ আশা, হিমগিৰি ৰাজ্যৰ নহ'লেও—এদিন-নহয়-এদিন — নিশ্চয় তেওঁ ৰজা হ'ব কোনোবা এক অঞ্চলৰ। আৰু—এই আশা মনত জুইশিখাৰ দৰে জাগ্ৰত হোৱাত জগৎপতিয়ে ৰাজনীতি-শাস্ত্ৰও অধ্যয়ন কৰিবলৈ ধৰিলে।

আৰু এনেতে—হঠাৎ এদিন ৰাজকুঁৱৰী বিদ্যাৱতীৰ সমাচাৰ প্ৰধান জ্যোতিষা-চাৰ্যৰ মুখে শুনি, জগৎপতিৰ মনত এক দুৰাশাই বাহ ল'লে। তেওঁ ভাবিলে: এইবাৰ! এইবাৰ মোৰ ভাগ্যৰ দুৱাৰ কিজানি মুকলি হ'বৰ হ'ল!

বীৰগিৰিৰ মহাৰাজৰ একমাত্ৰ সন্তান বিদ্যাৱতী তেতিয়া সাৰস সৰোবৰৰ বিশ্ৰাম-গৃহত। প্ৰধান জ্যোতিষাচাৰ্যই কৈছে যে ৰাজকুঁৱৰী বিদ্যাৱতীৰ বৰ্তমান ক্লিষ্টদশা অতিক্ৰান্ত হোৱাৰ লগে লগে তেওঁ বিবাহযোগ্যা হ'ব। —এই কথাইহে জগৎপতিৰ মনত আশাৰ জুই জ্বলালে।

এইবাৰ জগৎপতি অস্থিৰ হৈ উঠিল। কাকপক্ষীয়েও গম নোপোৱাকৈ তেওঁ সাৰস সৰোবৰলৈ গ'ল আৰু সাৰস সৰোবৰৰ চতুৰ্দিশ পুৰখাণুপুংখ ভাবে চাই ল'লে। সাৰস সৰোবৰৰ নাও বন্ধা ঘাটবপৰা ভালেখিনি আঁতৰত আৰু আঁৰত জগৎপতিয়ে—অতি ঘন গছ-বনৰ মাজেদি যোৱা এছোৱা লুংলুঙীয়া বাটও



দেখা পালে আৰু—তাৰ পাছত সাৰস সৰোবৰৰ এচুকত এখন নাও আনি ডাল-পাতৰ আঁৰত লুকাই থৈ দিলে।

তাৰ পাছত জগৎপতিয়ে ভাবিলে: ৰাজকুঁৱৰী বিদ্যাৰতীক অপহৰণ কৰি জগৎপতিয়ে নিজৰ বোপা-ককাৰ আমোলৰ প্ৰাসাদতে থৈ দিব, আৰু বিদ্যাৰতীৰ ক্লিষ্ট দশাৰ অন্তত—তেওঁ নিজেই নোহোৰা হোৱা ৰাজকুঁৱৰীক মহাৰাজৰ ওচৰলৈ লৈ যাব, সম্পূৰ্ণ সুস্থ বিদ্যাৰতীক মহাৰাজ-মহাৰাণীৰ হাতত সঁপি দিব। ৰাজদম্পতি আনন্দত অধীৰ হ'ব—আৰু তেতিয়া নিশ্চয়—ৰাজকুঁৱৰীৰ উদ্ধাৰকাৰী তথা ৰক্ষাকাৰী হিচাপে তেওঁলোকেই আনন্দৰে সৈতে ৰাজকুঁৱৰীৰ সৈতে তেওঁৰ বিয়াখন পাতি দিব।

এয়ে হ'ল ৰাজকুঁৱৰী বিদ্যাৰতী নোহোৰা হোৱাৰ ঘটনা।

কিন্তু এইজনা প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিয়ে এইবোৰ-এনেবোৰ কথা-কাণ্ডৰ সামান্যতম ভু-ও পোৱা নাছিল। জগৎপতিদেউৰ কাৰণে বৈ বৈ—অৱশেষত চতুৰ্থ দিনাও যেতিয়া জগৎপতি নাহিল—তেতিয়া জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ অকলেই মহাৰাজৰ ওচৰলৈ গ'ল।

ৰাজপ্ৰাসাদ পোৱাৰ লগে লগেই উৎকণ্ঠিত মহাৰাজে বাচস্পতিদেউক সুধিলে, "আমাৰ বিদ্যাৰতী কেনে আছে—কিবা জানিব পাৰিলেনে?

"মহাৰাজ, এই কথাত আপুনি মনত অলপো সন্দেহ পোষণ নকৰিব। ৰাজকুমাৰী য'তেই নাথাকক, মংগলমতেই আছে, মংগলমতেই থাকিব, কোনো গুৰুতৰ বিপদৰ সুদূৰ সম্ভাৱনাও মই গ্ৰহ-বৈগুণ্যৰ বিচাৰ কৰি পোৱা নাই। ৰাজকুমাৰীৰ গ্ৰহস্থিতি অনুসাৰে ৰাজকুমাৰী এতিয়া ৰাজধানীৰপৰা পশ্চিম দিশৰ্ত ক'ৰবাত আছে। পশ্চিম দিশত তন্ন তন্নকৈ অনুসন্ধান চলাব

পাৰে যদি—তাকে কৰক।” বাচস্পতিয়ে মহাৰাজক ক’লে।

তাত তেতিয়া সেনাধিপতি উগ্ৰসেনও উপস্থিত আছিল। তেওঁ কৈ উঠিল, “আমাৰ ৰাজধানীৰ পশ্চিম দিশত কেৱল সুগভীৰ অৰণ্য আৰু পাহাৰশ্ৰেণী। মানুহৰ পক্ষে যিমানদূৰলৈ যোৱা সম্ভৱ এই পাহাৰ-অৰণ্য ভেদি আমাৰ চিপাহী-হঁত গৈছিল, চাই আহিছিলগৈ, কিন্তু উত্তৰ দিশলৈ যি চিপাহীহঁ’ত গ’ল, সিহঁত এতিয়ালৈকো উভতি অহা নাই।”

“সিহঁত উভতি আহক, তাৰ পাছত প্ৰধান জ্যোতিষাচাৰ্য্যৰ পৰামৰ্শমতে আমি আকৌ চাৰিওফালে, বিশেষকৈ পশ্চিম-দক্ষিণ ফাললৈ সৈন্য পঠাম। বাৰু, এটা কথা—” মহাৰাজে মুহূৰ্তমানলৈ ৰৈ উগ্ৰসেনক সুধিলে, “কোনোবা এজন যুৱাই বিস্তাৰতীক বিচাৰি উলিয়াবলৈ অনুমতি প্ৰাৰ্থনা কৰা বুলি কৈছিলা যে—সেই যুৱক আছেনো ক’ত? তাৰ সৈতে আমি আমাৰ চিপাহীহঁতকো পঠামনে?”

“নহয়, মহাৰাজ! তাৰ বক্তব্য হ’ল যে—বিস্তাৰতীক বিচাৰি উলিয়াবলৈ সি হেনো অকলেই ওলাব। তাৰ এই প্ৰচেষ্টা যদি সফল হয়—ভালেই, কিন্তু—এই প্ৰচেষ্টাৰ ফলত যদি তাৰ মৃত্যু হয়, তেতিয়া



তাৰ বৃদ্ধা মাতৃৰ দায়িত্ব আমি লওঁ যেন—এয়ে আছিল সেই যুৱকৰ প্ৰাৰ্থনা, এই যুৱকজন দেখাত অতি সাধাৰণ হ’লেও গভীৰভাবে পৰ্য্যবেক্ষণ কৰিলেই তাৰ মাজত এক অসাধাৰণত্বৰ প্ৰকাশ চকুত নপৰাকৈ নাথাকে। তাক এই অনুমতি দিয়াটোৱেই ভাল বুলি মই ভাবোঁ।” উগ্ৰসেনে ক’লে।

“সেই যুৱা আছে ক’ত?” মহাৰাজে সেনাধিপতিক সুধিলে।

“আমাৰ দুৰ্গৰ দুৱাৰমুখত ৰৈ আছে—। মই তাক ইয়ালৈ মতাই অনাওঁনে?” সেনাধিপতি উগ্ৰসেনে

মহাৰাজক কথাটো সুধিলে।

মহাৰাজৰ সম্মতিক্ৰমে উগ্ৰসেনে তৎক্ষণাৎ চিপাহী এজনক পঠালে সেই যুৱকক মাতি লৈ আহিবলৈ। তাৰ পাছত উগ্ৰসেনে হঠাৎ ঘূৰি থিয় হৈ বাচস্পতিক সুধিলে, "আপুনি—আমাৰ ৰাজকুঁৱৰী নিৰুদ্দেশ হোৱাৰ দিনাৰপৰা জগৎপতি-দেউক এদিনৰ বাবেও দেখা পাইছেনে?"

"নাই পোৱা। ঠিক চাৰিদিনৰ আগতে তেওঁ মোৰ ঘৰলৈ আহিছিল। ইয়াৰ আগতে—তেওঁ প্ৰতিদিনেই মোৰ তালৈ এবাৰ-নহয়-এবাৰ আহিছিলেই। হয়তো তেওঁ আন ক'ৰবাত্ কিবা কামত ব্যস্ত হৈ আছে বুলিহে আহিব পৰা নাই। তেওঁক লগ পাওঁ যদি আপোনালোকৰ ইয়ালৈ তৎক্ষণাৎ পঠাই দিওঁনে?" বাচস্পতিয়ে সুধিলে।

"নহয়, নেলাগে। মহাৰাজৰপৰা জানিলোঁ যে—চাৰিদিনৰ আগতে আপোনাৰ সৈতে জগৎপতিদেৱো ইয়ালৈ আহিছিল। তেওঁক সিমান আৱশ্যক আমাৰ নাই,—পিছে—তেওঁক পালে বিদ্যাৱতীৰ নোহোৱা হোৱাৰ বিষয়ে-তেওঁৱে গণনাৰে আমি সহায় পালোহেঁতেন—কথা মাত্ৰ ইমানেই।" উগ্ৰসেনে বাচস্পতিক ক'লে।

প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ এতিয়া যোৱাৰ সময় হ'ল। ঠিক তেতিয়াই চিপাহী এজনৰ লগত যুৱক এজন তালৈ আহিল। এই যুৱক দেখাত অতি সুন্দৰ। যুৱকৰ চকুলৈ চাই জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ চঁক খাই উঠিল। তেওঁ ভাবি থাকিল: ৰাজকুঁৱৰী বিদ্যাৱতীক বিচাৰি উলিয়াবলৈ অকলশৰীয়া এই দুঃসাহসী যুৱক—কোননো?

এই কথা ভাবি ভাবি আওমনা অৱস্থাত জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ ৰাজপ্ৰাসাদ এৰি গুলাই গ'ল। [আগলৈ



সোণসেৰীয়া কথা

তথাপি প্ৰতিজ্ঞাত অটল ৰজা বিক্ৰমাদিত্যই পুনৰ সেই বিৰাট গছজোপাৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ ঘোৰ আউসীৰ নিশা শ্মশানমুৱা হোৱাৰ লগে লগেই মৰা শটোৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন! সাধ্যৰ বাহিৰৰ কাম কোনেও কৰিব নোৱাৰে বুলি যে কোৱা হৈছে, সেই কথা সাঁচকাটে সঁচা। তুমি পাৰিবানে নোৱাৰিবা, তুমিহে ক'ব পাৰিবা। যি কি নহওক—এই প্ৰসংগত তোমাক মই আজি বীণাধৰীৰ কাহিনী শুনাম। এনে এক কাহিনীৰপৰা তোমাৰ আন উপকাৰ হওক-নহওক, তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কোৱাৰ অন্তত বেতালে সেই বীণাধৰীৰ কাহিনীভাগ ৰজা বিক্ৰমাদিত্যক ক'বলৈ ধৰিলে :

'বেতাল-কথা'

তাহানিৰ চন্দ্ৰকান্ত ৰাজ্যত ৰামদেৱ নামৰ এজন দুখীয়া কৃষক আছিল। ৰামদেৱৰ পৰিবাৰ ৰণকসুন্দৰী—নামেৰে 'সুন্দৰী' হ'লেও যাক বোলে সুন্দৰী—নাছিল। কিন্তু এইহালৰ একমাত্ৰ সন্তান —যিটি সন্তান এইহালে বিবাহিত জীৱনৰ শেষৰ ফালে বহুকাল-বহুদিন ধৰি বাট চোৱাৰ অন্তত ঈশ্বৰৰ আশীৰ্বাদৰূপে লভিছিল, সেই সন্তানটি আছিল এটি কন্যা-সন্তান আৰু তাইলৈ চালেই চকু বৈ যোৱাধিধৰ সুন্দৰী। তাইৰ নাম বীণাধৰী।

বছৰৰ পাছত বছৰ পাৰ হ'ল, বীণাধৰীও ডাঙৰ হ'ল। তাইৰ সৌন্দৰ্য্যৰ খ্যাতিও সকলোতে বিয়পি পৰিল। ৰাইজে কোৱাকুই কৰিবলৈ ধৰিলে: তাইৰ মান সুন্দৰীক ৰজাঘৰতহে শুৱাব। ইমান ৰূপৱতী আমাৰ ৰজাৰ কাৰেঙতো নাই।

ইকাণ-সিকাণ বাগৰি বাগৰি কথাযাৰ বীণাধৰীৰ কাণতো নপৰাকৈ নাথাকিল। আৰু—বীণাধৰীয়ে নিজেও ভাবি থাকিল যে তাইক বিয়া কৰোৱাজন কেতিয়াও কোনো হোলাৰ ভাই মোলা হ'ব নোৱাৰে, ৰাজকোঁৱৰৰ বাহিৰে কাকো তাই তাইৰ জীৱন-লগৰী বুলি বৰণো নকৰে!

চন্দ্ৰকিশোৰ আছিল ৰামদেৱৰ সৰুকালৰ বন্ধু। চন্দ্ৰকিশোৰৰ পুতেকৰ নাম শিৱকিশোৰ। এদিন চন্দ্ৰই ৰামদেৱক কথাই কথাই ক'লে, "তোমালোকৰ বীণাজনীক আমাৰ বোৱাৰী কৰি ল'লে কেনে দেখা?"

বীণা আৰু শিৱকিশোৰৰ মাজত সহজ চিনা-পৰিচয় তো আছিলেই, অলপ অসহজ, অলপ হাঁহি-ধেমালিৰ তথা প্ৰেমৰ সম্পৰ্কও নথকা নাছিল।

এদিন শিৱকিশোৰে বীণাধৰীক ক'লে, "বীণা, মই মোৰ নিজৰ মনৰ কথা তোমাক খুলি-মেলিয়েই কওঁ বাৰু, মনপুতি শুনি থাকিবা। তুমি মোৰ প্ৰাণৰো প্ৰাণ আৰু তোমাৰো যদি এয়ে অৱস্থা, আমাৰ



বিয়া হৈ গ'ল বুলি ভাবিব পাৰা।"

বীণাধৰীয়ে দৃঢ় আৰু নীৰস কণ্ঠেৰে ক'লে, "তোমাক বিয়া কৰাবৰ কথা—মই ভুলতো চিন্তা কৰা নাই।"

শিৰকিশোৰ আহত হ'ল। ক'লে, "ঠিক আছে, বাদ দিয়া তেনেহ'লে। বিয়াত জুলুম কৰিব নাপায়। পিছে মোৰ ফালৰপৰা কওঁ—বিয়া কৰাওঁ যদি তোমাকে কৰাম, নহ'লে চিৰকুমাৰ হৈ কটাম।"

শিৰকিশোৰৰ এই কথাৰ উত্তৰত বীণাধৰীয়ে ভাল-বেয়া একো মাত নামাতিলে। তাইৰ মন ৰজাৰ কোঁৱৰলৈ, এওঁৰ সৈতে বাচ্যাবাচ্যি কৰি কি লাভ?

বীণাধৰীয়ে ভাবিলে: কিন্তু আমাৰ ঘৰখনতে সদায় সোমাই থাকিলে—কোনজন ৰজাৰ কোঁৱৰেনো মোক বিয়া কৰাই লৈ যাবহি? আৰু—ৰাজঘৰীয়া হাল-চাল একেবাৰে নজনাকৈ ৰজাঘৰৰ বোৱাৰী হ'ব পৰা যাবনে বাৰু?

বীণাধৰীৰ এজনী বিশেষ সখিয়েক—পদ্মদীপিকাই মহাৰাণীৰ খাচ লিগিৰী হৈ অন্তেষপুৰত কাম কৰি আছিল। তাইৰ সহায়তাৰে অৰ্থাৎ পদ্মদীপিকাৰ সহায়ত বীণাধৰীয়ে মহাৰাণীৰ অন্যতম খাচ লিগিৰীৰ কাম পাই গ'ল।

এবাৰ মহাৰাণীয়ে এজন চিত্ৰকৰৰপৰা সূৰ্য্যাস্তৰ চিত্ৰ এখন কিনি লৈ বীণাধৰীক দেখুৱালে আৰু সুধিলে চিত্ৰখন তাই কেনে পাইছে। বীণাধৰীয়ে ক'লে, "বেলিৰ এই দৃশ্য আমি দেখোন সদায়েই দেখি থাকোঁ। ইয়াৰনো ভাল-বেয়া কি?"

মহাৰাণীয়ে মিচিকীয়াই হাঁহি মাৰি ক'লে, "বীণা, ঈশ্বৰে তোমাক কেৱল ৰূপৰাশিয়েই দিলে, অন্তৰখন নিদিলে।"

বীণাধৰীয়ে মহাৰাণীৰ এই কথাৰ কোনো উত্তৰ নিদিলে।

এদিন মহাৰাজ-মহাৰাণীয়ে অন্তেষপুৰত বহি কথা পাতি আছিল। তাত বীণাধৰীও আছিল। তাই বিচনীৰে মহাৰাজক বিচি

সাধাৰণৰ প্ৰজাৰ তেনেহ'লে কি উপায় ? ধৈৰ্য্য নামৰ গুণ এটি সকলোটিয়েই আয়ত্ত কৰা আৱশ্যক।" মহাৰাজে মুহূৰ্তমানৰ নিৰৱতাৰ অন্তত আকৌ ক'লে, "আমাক আক্ৰমণ কৰাটো বৰ মুখৰ বা সুখৰ কথা নহয়। শত্ৰুসৈন্যই স্বৰ্ণমুখী নদী পাৰ হ'ব লাগিব। আমাৰ সৈন্যদল যথেষ্ট সুদৃঢ়।"

কেইদিনমানৰ পাছৰ কথা। মহাৰাণী চন্দ্ৰাৱতী বন-বিহাৰলৈ ওলাল। তেওঁৰ পিছে পিছে গ'ল ভালেকেইজনীমান লিগিৰী। কিন্তু মূৰৰ বিষ উঠাত বীণাধৰী নগ'ল। তাই অন্তেষপুৰতে থাকি গ'ল।

তাই বীণাধৰীয়ে যোৱা কিছুদিনৰে-পৰাই ভাবি আছিল যে—মহাৰাণীৰ সাজ-পাৰ গহনা-অলংকাৰবোৰ এটি দিনৰ বাবে পিন্ধি দপোণত নিজক দেখিব।

আজি মহাৰাণী যেতিয়া বন-বিহাৰলৈ ওলাল, তেতিয়া আৰু মুহূৰ্তমানো পলম নকৰি মহাৰাণীৰ সাজ-পাৰ গহনা-অলংকাৰ আদি পিন্ধি বীণাধৰীয়ে দাপোণৰ আগত থিয় দিলেগৈ।

আৰু ঠিক তেতিয়াই তাত ক'ৰবাৰপৰা যুৱক এজন ওলালহি। যুৱকে বীণাধৰীক সুধিলে, "সুন্দৰী! তুমিনো কোন?"

সাধাৰণ পোছাক-পাতি পিন্ধি থকা যুৱকক লিগিৰী বীণাধৰীয়ে ক'লে, "মই

আছিল। এনেতে চৰিয়া এজনে আভূমি নত হৈ প্ৰণাম কৰি মহাৰাজক ক'লেহি, "মহাৰাজ! বৈদেহীৰাজ শক্তিসিংহদেৱে আমাৰ ৰাজ্য আক্ৰমণ কৰিবলৈ সৈন্য সমাবেশ কৰিছে। যিকোনো মুহূৰ্ততেই অক্ৰমণ হ'ব পাৰে।" এই বুলি কৈয়েই চৰিয়াজন তাৰপৰা গুচি গ'ল।

যুদ্ধৰ তথা আক্ৰমণৰ কথা শুনিয়েই বীণাধৰীৰ হাতৰপৰা সেই মস্ত ডাঙৰ বিচনীখন স্খলকি পৰিল।

মহাৰাজে কথাটোলৈ মন কৰিলে, আৰু মৃহুকৈ হাঁহিৰে ক'লে, "অন্তেষপুৰত থকাসকলৰে যদি এই অৱস্থা, ইমান ভয়,

—মই হ'লোঁ বিশালপুৰৰ ৰাজকুঁৱৰী। ইয়ালৈ ফুৰিবলৈ আহিছোঁ।"

যুৱকে ক'লে, মই এই "দেশৰ যুৱৰাজ বিজয়দীপ। এইমাত্র মই গুৰুৰ আশ্রমৰপৰা আহিছোঁ। মই তোমাৰ অপাৰ সৌন্দৰ্য্যত মুগ্ধ। তোমাৰ যদি আপত্তি নাই—তোমাক বিবাহ কৰাবলৈ মই চেষ্টা কৰিম।"

শুনি বীণাধৰী চঁক খাই উঠিল। কিনো সৰ্বনাশ কৰিলে তাই! যুৱৰাজকে ভাঁৰিলেনে? তাই পোনে পোনেই যুৱৰাজ বিজয়দীপৰ ভৰিৰ আগত আঁঠু কাঢ়ি বহি দিলে আৰু কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰি ক'লে, "মোক ক্ষমা কৰক যুৱৰাজ, মোক দয়া কৰি ক্ষমা কৰক। মই সামান্যা লিগিৰী। মহাৰাণীৰ সাজ-পাৰ আ-অলংকাৰ পিন্ধি আৰু আপোনাক মিছা কথা কৈ মোৰ অত্যন্ত অপৰাধ হৈছে। আপোনাক মই সাধাৰণ মানুহ এজন বুলি ভাবি ধেমালিতে তেনেকৈ কৈছিলোঁ। মোক ক্ষমা কৰক।"

প্ৰকৃত কথা জানিবলৈ পাই বিজয়দীপে নিৰৱে হাঁহিলে আৰু ক'লে, "ভয় নকৰিবা। মই মাটিৰ ভিতৰত লুকাই থকা হীৰা চিনি পাওঁ। তুমি লিগিৰী বা যেৱেই নোহোৱা—মই তোমাক নিশ্চয়

বিয়া কৰাম।"

এই কথা শুনি বীণাধৰীয়ে ক'লে, "মই আপোনাক কথা এটা সোধোঁ। মই যদি যদি এই বিবাহত সন্মত নহওঁ? তেতিয়া আপুনি কি কৰিব?"

বীণাধৰীৰ কথা শুনি যুৱৰাজ বিজয়দীপ যথেষ্ট বিস্মিত হ'ল, যদিও সহজভাবেই ক'লে, "মই হ'লোঁ এই দেশৰ ভৱিষ্যৎ-ৰজা, গতিকে—ৰূপৱতী কোনোবাজনীক বিয়া কৰোৱাটো মোৰ পক্ষে অতি সাধাৰণৰো সাধাৰণ কথা। তুমি সন্মত নহ'লে, তোমাতকৈয়ো ৰূপৱতী বিচাৰি উলিয়াই বিয়া কৰাম।"

তেতিয়া বীণাধৰীয়ে ক'লে "ক্ষমা কৰিব, যুৱৰাজ! মই আপোনাক পতি ৰূপে বৰণ কৰিব নোৱাৰিম। মোৰ বিবাহ আগৰেপৰাই স্থিৰ হৈ আছে।" এই বুলি কৈ তাই ৰাজপ্ৰাসাদ এৰি গুচি আহিল আৰু তাৰ পাছত শিৱকিশোৰকে পতিৰূপে বৰণ কৰি ল'লে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা! কিশোৰীকালৰেপৰাই যিজনী বীণাধৰীয়ে কোনোবা ৰাজপুত্ৰক বিয়া কৰোৱাৰ সপোন সাজিছিল, সেই মহা-সুযোগ অভাৱিত-ভাৱে পায়ো, তাই নিজে নিজেই হেৰুৱালে কিয়? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "বীণাধৰীৰ সেই সপোন যেতিয়া দিঠক হওঁ হওঁ হ'ল, তেতিয়া যুৱৰাজ বিজয়দীপেই বীণাধীৰ মনৰপৰা ৰাজপুত্ৰৰ মোহ গুচালে। বীণাধৰীৰ প্ৰশ্নৰ উত্তৰ যুৱৰাজ বিজয়দীপে যেতিয়া ক'লে তেওঁ লাগিলে অন্য কোনোবাজনী ৰূপৱতী — তাইতকৈও কোনোবাজনী ৰূপৱতীক বিচাৰি উলিয়াই বিয়া কৰাব—তেতিয়াই তাইৰ হুচঁকুত ভাহি উঠিল—তাইক নাপালে চিৰজীৱনলৈ বিয়া নকৰাব বুলি কোৱা প্ৰকৃত প্ৰেমনিষ্ঠ শিৱকিশোৰৰ মুখভাগ। সেইহে—বীণাধৰীয়ে মুহূৰ্তত চঞ্চলমনৰ ৰজাৰ কোঁৱৰক বিয়া নকৰোৱাৰ সিদ্ধান্ত ল'ব পাৰিছিল। বিবাহিত জীৱনত—পৰস্পৰৰ প্ৰতি নিষ্ঠায়েই হ'ল সোণসেৰীয়া কথা।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[শিৱনাগেশৰ ৰচনা অৱলম্বনত]

অপৰিশোধ্য

ফাদিলপুৰৰ ফুলমতীৰ আছিল দুজন ল'ৰা। দুয়োজনেই বিয়া-বাৰু কৰালে। ফুলমতী আছিল বিধৱা। সেইহে প্ৰতিজন ল'ৰাৰ ঘৰত ছমাহমানকৈ থাকে।

ডাঙৰজন ল'ৰা ধনে-ধানে চহকী; সৰুজনৰো ঘৰ-দুৱাৰ অৰণ্যে নথকা নহয়। সৰুজনে পা-পৰিয়ালে পেট প্ৰৱৰ্তাবলৈ গাঁৱতে সৰুসুৰা চাকৰি কৰিছিল।

কিছুদিনৰ অন্তত এদিন সৰু ল'ৰাৰ ঘৰত ফুলমতী গুৰুতৰভাবে অসুস্থ হৈ পৰিল। চিকিৎসাৰ চেষ্টা কৰা হ'ল, কিন্তু চিকিৎসকৰ চেষ্টা-প্ৰচেষ্টাক ফাঁকি দি ফুলমতী সৰু ল'ৰাৰ ঘৰতে ঢুকাল।

কান্দি কান্দি ডাঙৰ ল'ৰা সোমৰাজে সৰু ৰবিৰাজক ক'লেহি, "তই মাতৃঋণ শুজিব পাৰিলি, সেইহে তোৰ ঘৰতে মা স্বৰ্গী হ'ল। যি কি নহওক, মা-ৰ দহন-বহন-শ্ৰাদ্ধৰ আটাইখিনি খৰচ মোৰ।"

কুটুমইঁতে কোৱাকুই কৰি থাকিল: ইয়াকে বোলে পুত্ৰ, সোমৰাজ হ'ল নিভাঁজ সোণ!

যেই কি নহওক, শ্ৰাদ্ধৰ দিনা দুয়োজন ভাই-ককাই পুখুৰীলৈ গ'ল, পুৰোহিতে মন্ত্ৰ মাতিলে, আৰু দুয়োজনে স্নান সমাপণ কৰাৰ অন্তত ৰবিৰাজে কাউৰীবিলাকে খোৱাৰ কাৰণে পিণ্ডদান কৰি ভক্তি ভাবেৰে নমস্কাৰ কৰিলে।

কিন্তু অতি আচৰিত কথা, পিণ্ড খাবলৈ গছৰ ওপৰত বহি থকা অসংখ্য কাউৰীৰ মাজত এটা কাউৰীও নামি নাহিল! পুত্ৰদ্বয়ে প্ৰমাদ গণিলে।

তেতিয়া ৰবিৰাজৰ মোমায়েকে

উদিতকুমাৰ ভৰালী

সকলোটিক মনে মনে থাকিবলৈ, অর্থাৎ একেবাৰে নিমাত-নিবোল হৈ থাকিবলৈ ক'লে আৰু তাৰ পাছত তেওঁ মৃতাত্মালৈ হাত যুৰি কৈ থাকিল, "বাইদেউ, সকলোটিয়েই তোমাৰ পাৰলৌকিক ক্রিয়া-কর্মাদিৰ বাবে তোমাৰ ডাঙৰ পুত্ৰ সোমৰাজৰ শলাগ লোৱাত তুমি কিজানি দুখ পাই আছ। ৰবিৰাজে যিখিনি খৰচ কৰিলে, তাৰ বিষয়েও মই সকলোটিক ক'ম। দয়া কৰি তুমি এই পিণ্ডদান স্বীকাৰ কৰি লোৱা, বাইদেউ!"

এই কথা কৈ, মোমায়েকে মৃতকলৈ নমস্কাৰ কৰিলে, আৰু লগে লগে গছৰ ডালৰপৰা কাউৰীবোৰে নামি আহি পিণ্ড খাবলৈ ধৰিলে। এই ঘটনাত তাত থকা সকলোটি হতভম্ব হৈ পৰিল।

তেতিয়া সোমৰাজ-ৰ বিৰাজৰ মোমায়েকে ক'লে, "মাতৃৰ ওচৰত সকলো পুত্ৰয়েই সমান। ডাঙৰ সোমৰাজে মাতৃৰ অন্ত্যেষ্টিক্রিয়াৰপৰা পিণ্ডদানলৈকে খৰচ কৰিলে, সৰু ৰবিৰাজে দহোখন গাঁৱৰ দুখীয়াসকলক মাতি আনি, 'দৰিদ্ৰ নাৰায়ণ' সেৱা কৰিলে, দৰিদ্রক অন্নদান দিলে, এই কার্য্যকো মাতৃঋণ পৰিশোধেই ক'ব লাগিব।"

এই কথা শুনি ডাঙৰ সোমৰাজে অনুতাপ প্ৰকাশ কৰি ক'লে, "মই স্বীকাৰ কৰোঁ, মা'ৰ অন্ত্যেষ্টিত বা শৰাধত খৰচ কৰিছোঁ মই, কিন্তু মোৰ মনত ইমান খৰচৰ বাবে কাতৰতা আছিল। কিন্তু ৰবিৰাজে এই যে মাতৃৰ আত্মাৰ তৃপ্তিৰ অৰ্থে দৰিদ্র নাৰায়ণক অন্নদান কৰিলে, তাৰ তুলনা নাই।"

তেতিয়া ৰবিৰাজে ক'লে "ককাইদেউ, তুমি মা-ৰ পৰোলোকৰ সুখৰ বাবে, আৰু মই ইহলোকত মাতৃস্মৃতি ৰক্ষাৰ বাবে দৰিদ্ৰ নাৰায়ণক অন্ন দান কৰিলোঁ। কিন্তু যেয়ে যি নকৰক, মাতৃঋণ অপৰিশোধ্য।"

চান্দমামা

ক্ৰোড়পত্ৰ-৪৫

<u>ভাৰতৰ পশু-পক্ষী ঃ</u>

কচ্ছৰ ফ্লেমিংগো

এজাতি উজ্জ্বল ৰঙা বৰণৰ চৰায়ে ভাৰতৰ এক বিশেষ অঞ্চলৰ নামকৰণ কৰাত সক্ষম হ'ল। এই জাতি চৰাইৰ নাম ফ্লেমিংগো, আৰু অঞ্চলডোখৰৰ নাম হ'ল গুজৰাতৰ কচ্ছ —যাক 'ফ্লেমিংগো ছিটি' অৰ্থাৎ 'ফ্লেমিংগো নগৰ' বুলি অভিহিত কৰা হয়।

উজ্জ্বল ৰঙা বৰণৰ ঠেং, দীঘলীয়া ডিঙিত থকা ইবিধ চৰাই দেখাত আমাৰ হাঁহৰ নিচিনা, ৪ ফুট ওখ। ইয়াৰ ঠোঁটেও ৰঙা ৰঙৰ আৰু আমাৰ হাঁহৰ দৰে চেপেটাবিধৰ। পানীৰ ওপৰত ভাহি থাকি ই তাৰ ঠোঁটেৰে আহাৰ ধৰি খায়। ইয়াৰ জিভা চালনীৰ দৰে হোৱাত আহাৰ্য্যত থকা অলাগতিয়াল চালনী-জিভাৰে উলিয়াই দি বাকীখিনি খায়।

সৰোবৰ, পুখুৰী আৰু সংকুচিত ডোবা-খুলি আদিতো জোপা-জুপলিৰ মাজত ঘাঁহ-বনৰ মাজত এই চৰাই পৰিলক্ষিত হয়। এই চৰাই আকাশত উৰে যেতিয়া 'V'-ৰ আকাৰেৰে উৰে।

অক্টোবৰৰপৰা মাৰ্চৰ মাজত গুজৰাতৰ কচ্ছ অঞ্চলৰ ৰান্-অত বছৰি ৫ লাখ-মান ফ্লেমিংগো চৰাই অ'ৰ-ত'ৰপৰা আহি পায়হি। সমগ্ৰ বিশ্বত কেৱল এই ঠাইতে ফ্লেমিংগো চৰায়ে অধিককৈ কণী দিয়ে আৰু নিঃচিন্ত মনেৰে পোৱালি জগায়।

ছেমনীয়াৰ চ'ৰাত

নাওমান ছলি—গল্‌ফৰ পুলি !

গল্‌ফ্‌ খেলাক বৰ বৰ মানুহৰ খেলা বুলি কোৱা হয়। বৰ মানুহ মানে—এই ক্ষেত্ৰত ধনী মানুহ। কিন্তু এতিয়াও যাৰ মাজত 'ধনেই থৰ্মৰ মূল' বোলা বোধ সৃষ্টি হোৱা নাই, তেনেকুৱা নাওমান ছলি এটি যদি 'বৰ বৰ মানুহৰ' খেলা গল্‌ফৰ গহীয়া হয় ?

শিবিন নামৰ পাঁচ বছৰীয়া ল'ৰা এটি তাৰ দেউতাকৰ সৈতে এখন গল্‌ফ-খেলৰ পথাৰলৈ গৈছিল। গল্‌ফ-পথাৰত সেউজৰ সমাৰোহ চাই সি বৰ ভাল পাই ভাবিলে : এইখন পথাৰত যিমানেই দৌৰাদৌৰি জঁপিয়াজঁপি কৰা যাওক—বাগৰি পৰিলেও এই সেউজ ঘাঁহৰ দলিচা থকাহেতুকে মুঠেই দুখ নাপাম। কিন্তু তাত গল্‌ফ্‌ খেলি থকাসকলে একেবাৰেই দৌৰাদৌৰি কৰা নাছিল, লাহে-ধীৰে খোজ দি দি গল্‌ফৰ গাঁত অৰ্থাৎ গল্‌ফৰ 'হোল্‌' বিচৰাত, ই-গাঁতৰপৰা সি গাঁতলৈ কিমান দূৰত্ব—তাৰ জোখ-মাখ কৰাত ধীৰে-শাঁতে গৈ আছিল। ইমান শামুকীয়া কথা-কাণ্ডত শিবিনে বৰ ভাল নাপালে, যদিও গল্‌ফ্‌ খেলৰ প্ৰতি তাৰ মনত কিছু আকৰ্ষণৰ সৃষ্টি হ'ল।

শিবিনৰ দেউতাকো আছিল এজন গল্‌ফ্‌ খেলুৱৈ। তেওঁ পুত্ৰৰ মনৰ ইচ্ছাৰ উমান পাই তাক গল্‌ফত প্ৰশিক্ষণ দি থাকিল।

দেউতাকৰ প্ৰশিক্ষণৰ ফলত শিবিনে পাঁচ বছৰতে জুনিয়াৰ চ্যাম্পিয়ান হ'ল। শিবিনৰ বয়স ন'বছৰ নৌপাওঁতেই সি আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। ইন্দোনেজিয়াৰ জকৰ্তাত অনুষ্ঠিত দ্বাদশ এছিয়া প্যাছিফিক জুনিয়াৰ গল্‌ফ্‌ প্ৰতিযোগিতাত শিবিনে ভাগ লৈছিল আৰু তাত শিবিনে দশম স্থান অধিকাৰ কৰিছিল।

তাৰ এবছৰৰ পাছত 'টেপোলিম জুনিয়াৰ ওৱাৰ্ল্ড কাপ চ্যাম্পিয়ানশ্বিপ' প্ৰতিযোগিতাতো ভাৰতৰ হৈ শিবিনে অংশগ্ৰহণ কৰিছিল। আমাৰ দেশৰপৰা আন তিনিজন প্ৰতিযোগীও গৈছিল। এই প্ৰতিযোগিতাত ১৮ খন দেশে অংশগ্ৰহণ কৰিছিল, আটাইতকৈ কম বয়সৰ প্ৰতিযোগী আছিল শিবিন। এখন ইতালীয় বাতৰি-কাকতে শিবিনক 'পিকোল্লোপ্ৰতিভা' অৰ্থাৎ 'ক্ষুদ্ৰ-প্ৰতিভা' বুলি উল্লেখ কৰি বৰ্ণনা দিছিল।

নতুন দিল্লীত অনুষ্ঠিত ত্ৰয়োদশ এছীয়-প্যাছিফিক চ্যাম্পিয়ানশ্বিপ প্ৰতিযোগিতাত (১২ বছৰীয়া খেলুৱৈৰ মাজত) শিবিনে ৰৌপ্য-বঁটা পাইছিল, ফিলিপাইন্সৰ জৈছমগিৰোনেল্লাই পাইছিল, প্ৰথম স্থান। তথাপি, শিবিনৰ খেলাই সকলোকে বৰকৈ আকৰ্ষিত কৰিছিল।

কলিকতাত অনুষ্ঠিত 'ন্যাশ্যনাল গল্‌ফ্‌ চ্যাম্পিয়ানশ্বিপ' প্ৰতিযোগিতাত শিবিনে 'ন্যাশ্যনাল ছাব্‌ জুনিয়াৰ'ৰ (১৫ বছৰ বয়সৰ আগৰ খেলুৱৈ) গৌৰৱময় স্থান অধিকাৰ কৰিছিল।

আমি জানোনে ?

১. আমাৰ দেশৰ দ্বিতীয় সুপ্ৰাচীন গ্ৰন্থৰ নাম ?
২. পৰশুৰাম কোন বংশত জন্মগ্ৰহণ কৰিছিল ?
৩. যিশু খৃষ্টক জুডাছে কোনখন উদ্যানত প্ৰতাৰিত কৰিছিল ?
৪. প্ৰথমৰ ফালে 'ভাৰতীয় জাতীয় কংগ্ৰেছ'ৰ নাম কি আছিল ?
৫. কোনগৰাকীয়ে ভাৰতৰ উপৰাষ্ট্ৰপতি পদত দহ বছৰলৈ নিযুক্ত আছিল ?
৬. সম্ৰাট হৰ্ষবৰ্ধনক তেওঁৰ এজন মন্ত্ৰীয়ে হত্যা কৰিছিল। সেই মন্ত্ৰীজনৰ নাম ?
৭. 'শক' কেতিয়াৰপৰা আৰম্ভ হৈছিল ? 'শক' বুলিলে কিহৰ স্মৃতি কঢ়িয়াই আনে ?
৮. পুৰাণত উল্লিখিত মহাবিষ্ণুৱে ৰাঘবৰালিৰ গৰাহৰপৰা ৰক্ষা কৰা হস্তীৰ নাম ?
৯. জুলিয়েন ক্যালেনডাৰ কোনে যুগুতাইছিল ?
১০. উত্তৰ প্ৰদেশৰ 'ভাইদুজ' উছৱৰ দৰে দক্ষিণভাৰততো এক উছৱ পতা হয়। তাৰ নাম ?
১১. এক বিখ্যাত ক্ৰীড়া আৰম্ভ কৰোঁতে 'পুনা' নামেৰে মতা হয়। সেই ক্ৰীড়া কি ?
১২. কলিকতাৰ এক সম্প্ৰদায়ে 'কপৌ খেল'ৰ বাজি মাৰি বিশেষ আনন্দ অনুভৱ কৰে। তেওঁলোক কোন ?
১৩. সংস্কৃত ভাষাত সুপ্ৰসিদ্ধ 'হৰ্ষ-চৰিত' কোনে লিখিছিল ?
১৪. কোনখন নৈত 'নাগাৰ্জুন সাগৰ মথাউৰি' সজা হৈছিল ?
১৫. কোনে মহাবলীপুৰ নিৰ্মাণ কৰিছিল ?

উত্তৰ

১. যজুৰ্বেদ।
২. ভৃগু বংশত।
৩. গেংছ্মানে।
৪. ইণ্ডিয়ান ন্যাশ্যনাল ইউনিয়ন।
৫. ড° এছ. ৰাধাকৃষ্ণন।
৬. অৰ্জুন।
৭. ৭৮ খৃষ্টাব্দত, কনিষ্কৰ ৰাজতিলক।
৮. গজেন্দ্ৰ।
৯. জুলিয়াছ ছিজাৰ (যুলিউছ কায়েছাৰ), যিজনে খৃঃ পূঃ ৪৬ চনত মাহ আৰু বছৰৰ নাম সুমুৱাই দিছিল।
১০. কানু পোংগল।
১১. ব্যাডমিন্টন।
১২. কলিকতাস্থ চীনা সম্প্ৰদায়।
১৩. বাণভট্ট।
১৪. কৃষ্ণা নদী।
১৫. পল্লৱ ৰজা মহেন্দ্ৰবৰ্মন।

সম্বাদ-বি-সম্বাদ



মহাশূন্যত ৰেকৰ্ড!

ৰুশ্ মহাকাশচাৰীসকলে মহাশূন্যত এমাহলৈকো অতিবাহিত কৰিছিল। কিন্তু যোৱা মে' মাহত মহাশূন্যৰপৰা উভতি অহা আমেৰিকীয় মহাকাশচাৰী কম্যাণ্ডাৰ ডন্ ব্ৰাণ্ডেনস্টিনে মহাশূন্যত ৭৪০ ঘণ্টা অৰ্থাৎ ৩১ দিন অতিবাহিত কৰি এক নতুন ৰেকৰ্ড স্থাপন কৰিলে। তেওঁ সৰ্বমুঠ চাৰি বাৰ মহাশূন্যলৈ গ'ল। ইয়াৰ আগতে নাৰ্ম থগাৰ্ডে স্পেচ্ শ্বাটলত ৬৪০ ঘণ্টা অতিবাহিত কৰিছিল। তেওঁও চাৰি বাৰ মহাকাশলৈ গমন কৰিছিল।

নগৰ বন্ধু!

বিভিন্ন নগৰৰ মাজত ভ্ৰাতৃভাবৰ সৃষ্টি কৰিবলৈ এক অ:িনৱ পদ্ধতি লোৱা হৈছে। এই পদ্ধতি অনুসাৰে আমেৰিকাৰ কোলোৰ্‌্যাডো অঞ্চলৰ ডেনভাৰ নগৰৰ আঠ নগৰবন্ধু আছে। অষ্টম নগৰখন হ'ল মাদ্ৰাজ। ডেনভাৰ অধিবাসীসকলক মাদ্ৰাজৰ বিষয়ে অধিক জানিবলৈ দিয়াৰ বাবে ডেনভাৰ নগৰত 'ডেনভাৰ-মাদ্ৰাজ পাৰ্ক' সজা হৈছে!

বস্তাবন্ধা মান

হৰিপুৰত নাৰায়ণ নামৰ এজন ধনৱন্ত মানুহ আছিল। ভুৱন আছিল নাৰায়ণৰ সৰুকালৰ বন্ধু আৰু চুবুৰীয়া গাঁও নৰসিংপুৰৰ বাসিন্দা। এদিন তাৰ আখিন্দা হ'ল—নাৰায়ণক—সৰু কালৰ বন্ধুক চাবলৈ।

ভুৱনৰ চোলা-চুৰিয়া আছিল ছিঙা-ফটা। তাক দেখা পায়েই সি যে দুখীয়া বো দুখীয়া আৰু সি যে কিবা সহায়-তহায় বিচাৰি আহিল—সেইটি কথা বুজিবলৈ নাৰায়ণৰ অলপো ভুল নহ'ল।

নাৰায়ণৰ কথা ভুৱনে ধৈৰ্য্যৰে শুনি থাকিল। এনেতে এজন মানুহে নাৰায়ণক চিঠি এখন দিলেহি। চিঠিখন পঢি নাৰায়ণে দম্ভিৰে কৈ উঠিল, "দেখিবা কোন বোৰ মানুহৰ সৈতে মোৰ উঠা-বহা ? আজি ৰাতিৰ পৰতে স্বয়ং জমিদাৰ ডাঙৰীয়াই নিজ হাতেৰে চিঠি লিখি মোক তেওঁৰ সৈতে ভাত-চাত খাবলৈ মাতিছে। চোৱা, এইখন চিঠি পঢ়ি চোৱা।"

ভুৱনে ম্লানকৈ হাঁহি মাৰি ক'লে, "তুমি যেতিয়া তোমাৰ আয়-উপাৰ্জনৰ বাবে কৈ আছিলা, তেতিয়াই মই আন্দাজ কৰিছিলোঁ—তুমি এতিয়া কিমান ওখ খাপৰ মানুহ। মই কিন্তু ভাই—সেই জমিদাৰ ডাঙৰীয়াৰ তাত তোমাৰ চুপাৰিছৰ যোগেদি কিবা কাম-তাম পোৱাৰ ধান্দাৰে তোমাৰ কাষ চাপিছোঁ।"

নাৰায়ণে ধেমালিৰ সুৰেৰে ক'লে, "জমিদাৰৰ তাত তুমি কাম কৰিবা ? হাহ্—হা ! বৰ মজাৰ কথা হ'বহে !"

"হয়, ভাই। জমিদাৰ ডাঙৰীয়াই তেওঁৰ কিছুখিনি খেতি-মাটি আধিত দিব

পৰমেশ পাঠক



বুলি শুনিছোঁ. তুমি যদি মোৰ হৈ কৈ দিয়া অলপ—তোমাৰপৰা এইখিনি সহায় বিচাৰিহে আহিলোঁ।” ভুৱনে ক'লে।

ভুৱনৰ কথাত নাৰায়ণে একেবাৰেই ভাল নাপাল। ক'লে, “কথা এটা কওঁ, বেয়া নাপাবা। আমাৰ এই জমিদাৰ বোলাটো জমিদাৰ হয়, কিন্তু মানুহ ভাল নহয়। তোমাৰ দৰে ফটা-ছিঙা চোলা-চুৰীয়া পিন্ধা কোনোবা এজন মোৰ বন্ধু বুলি জনা মাত্ৰেই মোৰো কোনো ইজ্জত নাথাকিব, তোমাৰো সুবিধা নোলাব।”

তথাপি ভুৱনে নাৰায়ণক বাৰে বাৰে কৈ থাকিল তাৰ হৈ জমিদাৰক ক'বলৈ। কিন্তু নাৰায়ণও বৰ সহজ পাত্ৰ নাছিল। তেওঁ ভুৱনৰ কথাত একোপধ্যে 'হয়' নকৰা হ'ল, জমিদাৰক কৈ-মেলি সৰুকালৰ বন্ধুক এইদৰে সহায় কৰাত যে তেওঁ নাই, খাৰাং খাচ কৈ দিলে। নাৰায়ণ ক'লে যে তেওঁৰ নিমন্ত্ৰণলৈ যোৱাৰ সময় হ'ল। হতাশ মনেৰে তাৰপৰা গুচি গ'ল। নাৰায়ণ নাৰায়ণে ভুৱনক পাছদিনা আহিবলৈ ক'লে।

পাছদিনা ভুৱন পুনৰ নাৰায়ণৰ কাষ চাপিল। তেতিয়া নাৰায়ণৰ ওচৰত আন এজন মানুহ বহি আছিল। নাৰায়ণে সেই মানুহজনৰ চিনাকি দিওঁতে ভুৱনক ক'লে, “এওঁৰ নাম ধনেশ্বৰ। এওঁ হ'ল আমাৰ ইয়াৰ মুখ্য বেপাৰী। কিন্তু প্ৰতিদিন কিছু সময়লৈ মোৰে সৈতে কথা নাপাতিলেই নহয় এওঁৰ, মোৰ লগত কথা পতাটোহে এওঁৰ জীৱনৰ আৰাম-আনন্দ—বুইছা ?”

ধনেশ্বৰে ভুৱনলৈ এপলকমান চায়েই কৈ উঠিল, “কথানো কিহে নাৰায়ণ ? এই বস্তাৰালাৰ সৈতে তোমাৰ ইমান হলি-গলি চা-চিনাকি যে !”

নাৰায়ণে চঁকখাই কৈ উঠিল, “হাৰে ! এয়ানো তুমি কি কৈছাহে। এওঁৰ নাম হ'ল ভুৱন আৰু সৰুতে আমি একেখন ছাত্ৰ-শালিতে পঢ়িছিলোঁ — এইকণ চিনাকিৰেই ই যেতিয়াই-তেতিয়াই মোৰ

কাষ চাপেহি। কিন্তু — তুমি এওঁক বস্তাৰালাবুলি কিয় কৈছা তাকেহে বুজা নাই মই।"

ধনেশ্বৰে ক'লে, "কালি ৰাতি মই দোকান বন্ধ কৰাৰ পাছত—চিনাকি মানুহ এজনে পঠোৱা দুপাচি আম আমাৰ ঘৰলৈ কঢ়িয়াই নিবলৈ কোনোবা এটা বনুৱা-হজুৰা বিচাৰি থাকোঁতে—বিৰাট বস্তা এটা কঢ়িয়াই লৈ গৈ থকা এই মানুহটোক দেখা পাইছিলোঁ। তেতিয়া তাক ৰখাই সুধিছিলোঁ আমৰ পাচি দুটা সি আমাৰ ঘৰলৈ লৈ যাব পাৰিবনে কি। সি মোলৈ চাই মুচুককৈ হাঁহিলে, আৰু মোক টকা দেখুৱাই উভতি খোজ ল'লে।"

এই বুলি কৈয়েই ধনেশ্বৰ তাৰপৰা ততাতৈয়াকৈ গুচি গ'ল।

এইবোৰ কথা শুনি নাৰায়ণে অপমান পোৱা হ'ল। নাৰায়ণে কিঞ্চিত খঙাল মাতেৰেই ভূৰনক ক'লে, "এনেবোৰ তল-খাপৰ কাম-বন কৰাত তোমাৰ অপমান বোধ নহ'লনে? তাতকৈ মোৰেপৰাই দহ-বিছ খুজি নল'লা কিয়? মোৰ কিমান যে বেইজ্জতী হ'ল—এটা বস্তাৱালা হ'ল মোৰ সৰুকালৰ বন্ধু! চেঃ! আগলৈ কেতিয়াও মোৰ ওচৰলৈ তুমি নাহিবা, মোৰ মান-ইজ্জত তুমি আগলৈ এনেকৈ মাটি নকৰিবা কৈছোঁ।"

ভূৰনে মৃদুকৈ হাঁহি মাৰি ক'লে, "মই কি কৰিম, সেই বস্তা কঢ়িয়াই নিবলৈ মই বাধ্য হৈছিলোঁ। তোমাৰ মান-ইজ্জত মাটি কৰিবলৈ নহয়, তোমাৰ মান-ইজ্জত বচাবলৈহে মই তেনেকুৱা কাম কৰিছিলোঁ। সেই বস্তাত তুমিহে আছিলা!'

নাৰায়ণে খেচখেচাই কৈ উঠিল, "কি! কিবোৰ বেৰেৰিবাংবোৰ বলকিছাহে? বস্তাত মই—? তাৰ অৰ্থ—?"

"হাৰে! ইমান খং নকৰিবাচোন! কথাখিনি ভালকৈ শুনি লোৱা।—কালি ৰাতি মই ঘৰলৈ গৈ থাকোঁতে, জমিদাৰ

ডাওৰীয়াৰ ঘৰৰপৰা উভতি অহা তোমাক বাটত বেহুঁচ হৈ পৰি থকা দেখা পাইছিলোঁ—তেনে অৱস্থাত তোমাক আন কোনোবাই দেখা পায় যদি—তোমাৰ মান-ইজ্জত ক'ত থাকিব ? মোৰ ওচৰত আছিল এটা ডাঙৰ বস্তা, আৰু মই তৎক্ষণাৎ তোমাক সেই বস্তাটোৰ ভিতৰত ভৰাই লৈ তোমাক তোমাৰ ঘৰত থৈ আহিছিলোঁ। আৰু ঠিক তেতিয়াই ধনেশ্বৰে মোক বাটত দেখা পাইছিল। মই এই গাঁৱত নতুন মানুহ, গতিকে—মোৰ ইয়াত কোনো মান-ইজ্জতৰ পৰোৱা নাই। তোমাৰ মান-ইজ্জত যে বস্তাৰ ভিতৰত থাকিও ৰক্ষা পৰিল এয়ে মোৰ শান্তি।" ভুৱনে নাৰায়ণক ক'লে।

নাৰায়ণৰ পৰিবাৰেও কৈ উঠিল, "ভুৱন কায়ে ঠিকেই কৈছে। তেওঁ সঠিক সময়ত বাটত আপোনাক নোপোৱা-হেঁতেন, আপোনাৰ মান-ইজ্জত কিন্তু বাস্তৱিকতে মাটি হ'লহেঁতেন। আপোনাক বস্তাৰপৰা উলিওৱাৰ পাছত ৰাতি মোৰ টোপনিয়েই, নাহিল সেইহে ধলপুৱা আপোনাৰ চৈতন্যৰ তথা মান-ইজ্জতৰ কাৰণেহে মন্দিৰলৈ গৈছিলোঁ। ভুৱনকাইৰ ওচৰত আমি ধৰুৱা হৈ থাকিলোঁ। আপোনাৰ ওখ খাপৰ বন্ধু জমিদাৰেহে আপোনাৰ মান-ইজ্জত মাটি কৰিছিল, আৰু এই দুখীয়াৰো দুখীয়া ভুৱন-বন্ধুৱেহে ৰক্ষা কৰিছিল—এই কথা জানি থওক।"

এইবাৰ তলমূৰ হৈ নাৰায়ণে ভুৱনক ক'লে, "বন্ধু ভুৱন! মোৰ অহংকাৰৰ পৰাচিত হ'ল। তুমি নিজৰ মান-ইজ্জতৰ বিনিময়ত মোক বস্তাত ভৰাই হ'লেও মোৰ মান-ইজ্জত ৰক্ষা কৰিলা—এই কথা মই জীৱনতো নাপাহৰোঁ, আৰু এনেবোৰ উচ্চ-নীচৰ মিছা দম্ভালিকো আৰু প্ৰশ্ৰয় নিদিওঁ। এতিয়াৰপৰা এইবোৰ ঠুনুকা মান-ইজ্জতৰ গোলাম নহওঁ আৰু।"



চাঁচৰি

গাঁৱৰ নাম চন্দননগৰ। তাত কুশলপণ্ডিত থাকে। চন্দননগৰত বেপাৰী বন্ধুৰা হালোৱা-জালোৱাৰ সংখ্যায়েই অধিক, গতিকে কুশলপণ্ডিতলৈ তাত কাৰো মন-কাণ সিমান নাই, একেবাৰেই নাই।

এনেখন গাঁৱত, ভাত নোহোৱা খাটত নথৈ গঞাই আৰুনো কি কৰিব?

তাৰ পাছত, বহু চেষ্টাৰেও যেতিয়া গাঁৱত ভাত নিমিলিল, এদিন কুশলপণ্ডিত ৰাজ-দৰ্শনৰ বাবে ৰাজধানীমুৱা হ'ল।

কিন্তু ৰাজধানী পায়ো ৰাজদৰ্শনৰ সুবিধা নাপালে কুশলপণ্ডিতে। ৰাজ-দৰ্শনৰ কিটিপ-কায়দা যে কি—বহু বিচাৰ-খোচাৰ কৰিও তাৰ উৱাদিহ উলিয়াব নোৱাৰিলে। তাৰ পাছত, যেতিয়া পুনৰ গাঁৱলৈ বুলি খোজ ল'লে, তেতিয়া, গাঁৱৰে চতুৰ্মুখৰ সৈতে হঠাৎ দেখাদেখি।

চতুৰ্মুখ দহ বছৰৰ আগতে জীৱিকাৰ সন্ধানত গাঁও এৰি ৰাজধানীলৈ আহিছিল, আৰু তাৰ মুখৰ মেহাৰতে কিছুদিনৰ ভিতৰতে ৰজাৰ অধীনত এটি কামও যোগাৰ কৰিছিল।

চতুৰ্মুখে কুশলক ক'লে, "হৈ যাব, চিন্তা নকৰিবা। আজি-কালিতেই তোমাক মই মহাৰাজৰ কাষতে লৈ যাম। তাৰ পাছৰ কথা তোমাৰ চেষ্টা আৰু ভাগ্য।"

পাছদিনাই কুশলপণ্ডিতে ৰজাৰ দৰ্শন সঁচাসঁচিকৈ পালে। কিছু সময়লৈ কথা পাতি কুশলপণ্ডিতৰ পাণ্ডিত্যৰ উমান লৈ মহাৰাজ মুগ্ধ হৈ পৰিল। মহাৰাজে কুশলপণ্ডিতক ৰাজ-দৰবাৰতে দৰবাৰী পণ্ডিত ৰূপে থাকিবলৈ অনুৰোধ কৰাত

মিনতি চক্ৰবৰ্তী

কুশলপণ্ডিতে মহাৰাজক ক'লে, "মহাৰাজ, মই মোৰ চন্দনপুৰ এৰি ক'তো অধিক দিনলৈ থাকিব নোৱাৰিম। আপুনি অনুগ্ৰহ কৰি মোক কিঞ্চিত আৰ্থিক সহায়তা কৰক, মই গাঁৱতে থাকিম।"

মহাৰাজে কুশলপণ্ডিতক এখন অতি প্ৰাচীন ৰাজনীতি-বিষয়ক গ্ৰন্থ দিলে আৰু ক'লে, "এইখন গ্ৰন্থ কৌটিল্যৰো—অৰ্থাৎ চাণক্যৰ দিনৰো আগৰ গ্ৰন্থ। এই গ্ৰন্থৰ ভাষাও হেনো অতি জটিল। গ্ৰন্থখনৰ সটীক ব্যাখ্যা এবছৰৰ ভিতৰত দিলেই হৈ যাব। এই কাৰ্য্যৰ মাননী হিচাপে এতিয়া আপোনাক পঞ্চাছহেজাৰ মুদ্ৰা দিছোঁ, সমাপ্ত হোৱাৰ অন্তত আৰু পঞ্চাছহেজাৰ পাব।" এই গ্ৰন্থখন লৈ কুশলপণ্ডিত গাঁৱলৈ উভতি গ'ল।

পাছত মহাৰাজে চতুৰ্মুখৰ ওচৰত কুশলপণ্ডিতৰ অশেষ প্ৰশংসা কৰি কৈছিল যে—এনেহেন পণ্ডিত তেওঁ তেওঁৰ জীৱনকালত আন এজনও পোৱা নাছিল।

কিন্তু মহাৰাজৰ এইবোৰ-এনেবোৰ মন্তব্যই চতুৰ্মুখক কুশলৰ প্ৰতি বিতুষ্ট তথা ঈৰ্ষান্বিতহে কৰি তুলিছিল। সিও দেখোন কত-কিমান যে ভাল ভাল কাম কৰিলে যোৱা দহ বছৰত, ক'তা—মহাৰাজে কোনোদিনে টুঁ শব্দটিও নকৰিলে দেখোন তাৰ বিষয়ে! আৰু—কুশলে যে আহিয়েই মহাৰাজৰপৰা পঞ্চাছহেজাৰ মুদ্ৰা সৰকালে, ইও এক অসহনি কথা। কিবা এটা কৰিব লাগিব সি বুলি মনতে খাটাং কৰিলে।

তাৰ পাছত এদিন সি চতুৰ্মুখে কিবা এটা কথাৰ লেচু লৈ মহাৰাজক ক'লে, "মহাৰাজ! কুশলৰ বিষয়ে মই বহুদিনৰ আগতেই আপোনাক ক'ম বুলি ভাবিছিলোঁ। কিন্তু কুশল আচলতে বৰ দাম্ভিক আৰু অহংকাৰী। আপোনাক ইয়ালৈ আহি দৰ্শন কৰিবলৈ তাক মই বহু বহু বাৰ মাতিছিলোঁ, কিন্তু তাৰ মনত

তাৰ পাণ্ডিত্যৰ অহংকাৰ ইমানেই যে—সি সদায়েই 'নহয়—নেযাওঁ' বুলি কৈছিল।"

এইদৰে ছমাহ পাৰ হ'ল। এদিন মহাৰাজে চতুৰ্মুখক ক'লে, "কুশলপণ্ডিতে মোৰ সেই গ্ৰন্থৰ সটীক ব্যাখ্যা-ট্যাখ্যা কি কৰিলে, মই জানিবলৈ বিচাৰোঁ। তুমি বাৰু তেওঁক এবাৰ ইয়ালৈ আহিবলৈ ক'বানেগৈ?"

চতুৰ্মুখে ভাবিলেঃ এইবাৰ বুদ্ধিৰে কাৰ্য্যসিদ্ধি কৰিব লাগিব, মহাৰাজৰ কাণত বিহ ঢালি কুশলৰ কাণ কাটি ত'ল বজাব লাগিব।

দুটামান দিনৰ অন্তত চতুৰ্মুখে মহাৰাজক ক'লেগৈ, "মহাৰাজ, কুশললৈ খবৰ পঠাইছিলোঁ। আপুনি মাতিছে বুলি, পিছে—তেওঁ পণ্ডিতে একোপধ্যেই আহিব নোৱাৰিব বুলি কৈ পঠাইছে।"

কিন্তু তথাপি, চতুৰ্মুখে আশা কৰা মতে ফল নফলিল, মহাৰাজ সাতকুৰা অগ্নিমূৰ্তি নহ'ল। বৰঞ্চ তেওঁ ক'লে, "তেওঁক মাতি পঠোৱাটো—মোৰেই ভুল। এবছৰৰ সময় দিলোঁ, মাজত মতাই অনাই দিগদাৰি—কামত বাধাৰ সৃষ্টি কৰাটো দিয়াটো অনুচিত বাধা। বৰঞ্চ মইহে চন্দননগৰলৈ যাব লাগিছিল। বাৰু — ময়েই যাম, পাৰিলে কালিলৈ তেওঁৰ তালৈ ময়েই যাম।"

কিন্তু তেতিয়া দেখোন চতুৰ্মুখৰ

বিষম বিপদ! সকলো কথা ৰজাই জানিব আৰু তাক কঠোৰ দণ্ড দিব। গতিকে সি চতুর্মুখে ততাতৈয়াকৈ কৈ উঠিল, "নেলাগে মহাৰাজ, কষ্ট কৰি আপুনি যাব নেলাগে। ময়েই তাক মাতি আনিমগৈ বুজাই-বৰাই।"

চতুর্মুখ তেতিয়াই কুশলপণ্ডিতৰ তালৈ গ'ল আৰু কুশলৰ আগত আঁঠু লৈ তাৰ দোষ নিজমুখে স্বীকাৰ কৰি তেওঁৰ প্ৰতি এনে অন্যায় ঈৰ্ষা কৰাৰ বাবে আৰু ৰজাক তেওঁৰ বিৰুদ্ধে লগোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি ক'লে, "মহাৰাজে আচল কথা কেনেবাকৈ গম পালে মোৰ দেহাত আৰু মুণ্ড নাথাকিব। মই চাঁচৰিকোবোৱাৰ বাবে নিশ্চয় মোক নচঁচা শূলত দিব। এতিয়া তুমিহে কেৱল মোক বচাব পাৰা।"

"শুনা, তুমি মহাৰাজক কোৱাগৈ যে—মই এতিয়াও তেওঁৰ অনুৰোধ মতে ৰাজধানীলৈ যাবলৈ নাৰাজ। তোমাৰ আগৰ কথা বাঘে খালে বুলি ধৰি লোৱা, কোনোদিনেই মহাৰাজক নকওঁ মই।" কুশলপণ্ডিতে চতুৰ চতুর্মুখক কৈ দিলে।

চতুর্মুক পুনৰ ৰাজধানীমুৱা হ'ল, আৰু কিছুদূৰ গৈয়েই চন্দননগৰলৈ আহি থকা মহাৰাজক বাটতে লগ পাই ক'লে, "মহাৰাজ, কুশলে এতিয়াও আহিব নোৱাৰিব বুলি কৈ পঠালে মোক।"

মহাৰাজে মৃদুকৈ হাঁহিৰে ক'লে, "মহম্মদ যদি পৰ্বতৰ ওচৰলৈ নাযায়, পৰ্বতেই মহম্মদৰ ওচৰলৈ যাব।" এই বুলি কৈ মহাৰাজ কুশলপণ্ডিতৰ ঘৰলৈ গৈ তেওঁলৈ যথোচিত সন্মান জ্ঞাপন কৰি অলপ সময়ৰ পাছতেই গুচি আহিল।

এই ঘটনাৰ পাছৰপৰা গাঁৱৰ ৰাইজে কুশলপণ্ডিতৰ মোল বুজি পোৱা হ'ল আৰু কুশলপণ্ডিতেও তেওঁৰ পাণ্ডিত্যৰে দহো ৰাইজৰ বাবে সামাজিক কৰ্ম কৰি গাঁৱতে জীৱন অতিবাহিত কৰিছিল।



২৬

কুম্ভকৰ্ণ ৰাৱণৰ ওচৰলৈ গৈ থাকোঁতে বানৰসকলে বিৰাট পৰ্বতহেন কুম্ভকৰ্ণক দেখা পাই সিহঁতে তৎ-বুদ্ধি হেকৰাই যেনে তেনে যেনিয়েদি পাৰিলে পলাই সাৰিবৰ ধান্দা কৰিলে, ক'লৈ যাওঁ গোপাল ক'লৈ যাওঁ কুপাল লাগিল কিছুমানে ৰণ-নিদিয়াকৈয়েই ৰণত পৰিল, কিছুমান উবাজুবাত কৰ্ফাল খাই পৰি মৰিল।

তেতিয়া ৰাঙ্গনী বেলিৰ ৰতোৱালে পশ্চিমাকাশত হেঙুলীয়া ৰহণ বোলাইছে সমুখত লংকা-বিজয়ৰ আভাস দেখি বানৰ তথা ভল্লুক সৈন্যও বেতিয়া মতলীয়া, তেনেতে এই বিশাল বিৰাটাকৃতি কুম্ভকৰ্ণ যেনিবা প্ৰলয়ংকৰ ধুমুহাৰ দৰে ওলালহি।

ৰামচন্দ্ৰই বিভীষণক সুধিলে, "বিভীষণ, এক বিৰাট ক'লীয়া মেঘৰ দৰে সৌ ৰাক্ষস বীৰজন কোন— ?"

বিভীষণে ৰামচন্দ্ৰক ক'লে, "তেওঁ হ'ল বিশ্ৰবসুৰ পুত্ৰ কুম্ভকৰ্ণ। কুম্ভকৰ্ণই যুদ্ধত যমৰাজ আৰু আনকি ইন্দ্ৰকো পৰাজিত কৰিছিল। এওঁৰ সমান দেহ অন্য কোনো ৰাক্ষসৰ নাই। আৰু— মহাৰাজ ৰাৱণ আৰু অন্যান্য অসংখ্য বীৰ ৰাক্ষস কোনো-নহয়-কোনো ধৰণৰ 'বৰপ্ৰাপ্ত' হৈ বীৰ হৈছে, পৰাক্ৰমী হৈছে, কিন্তু এওঁ—এই কুম্ভকৰ্ণ সম্পূৰ্ণ আত্ম-বলতে বলীয়ান তথা মহাপৰাক্ৰমী।"

বিভীষণৰ এই কথা শুনি শ্ৰীৰামচন্দ্ৰ

'ৰণক্ষেত্ৰত কুম্ভকৰ্ণ'

কিঞ্চিত চিন্তিত যেন হৈ পৰিল। তেওঁ নীলক মতাই অনাই আদেশ দিলে যে— এই লংকানগৰীৰ প্ৰতিখন প্ৰবেশপথ চ এতিয়াৰেপৰাই আক্ৰমণ কৰা হওক।

ইপিনে — অৰ্দ্ধনিদ্ৰোত্থিত কুম্ভকৰ্ণ মহাৰাজ ৰাৱণৰ ওচৰলৈ আহিল আৰু মহাপ্ৰতাপান্বিত মহাৰাজ ৰাৱণক অত্যন্ত চিন্তামগ্ন অৱস্থাত দেখি প্ৰত্যক্ষ কৰি কুম্ভকৰ্ণ কিঞ্চিত বিচলিত হ'ল।

কুম্ভকৰ্ণক আহি থকা দেখা পায়েই মহাৰাজ ৰাৱণ সিংহাসন এৰি নামি আহিল আৰু কুম্ভকৰ্ণক বুকুত আঁকোৱালি ল'লে। তাৰ পাছত দুয়ে উপবেশন কৰিলে।

কুম্ভকৰ্ণই ধীৰ-শান্ত কণ্ঠেৰে মহাৰাজ ৰাৱণক সুধিলে, "কিহৰ প্ৰয়োজনতনো মোৰ নিদ্ৰা অকালতে ভংগ কৰা হ'ল? তুমি কাৰ ডৰতে ইমান ডৰুক হৈ উঠিছা? কোৱাঁ, সি কোন—যাৰ ডৰত ত্ৰিলোক বিজয়ী মহাপ্ৰতাপান্বিত মহাৰাজ ৰাৱণও প্ৰকম্পিত? মৰণে তাক শৰণ দিবলৈ নিশ্চয় তাৰ দুৱাৰত খটখটাইছেহি।"

তেতিয়া ৰাৱণে ক'লে, "ক'বলৈ বৰ লজ্জিত হৈছোঁ, তথাপি ক'বই লাগিব, নগণ্য নৰ এটাৰ ডৰতে মই কিঞ্চিত ডৰুকমনা হৈহে বাধ্যত পৰি তোমাৰ নিদ্ৰাভংগ কৰিছোঁ। এই সামান্য নৰ হ'ল অযোধ্যাৰ অধিপতি ৰাম। ৰামে বান্দৰ-মখাৰ ৰজা সুগ্ৰীৱক কেনেবাকৈ হস্তগত কৰি, বিচিত্ৰ উপায়েৰে সাগৰ-লঙ্ঘন কৰি আমাৰ স্বৰ্ণপুৰী আক্ৰমণ কৰিলে আৰু আমাৰ অসংখ্য বীৰ ৰাক্ষসসৈনিকক হেলাৰঙে বধিলে, যদিও আমাৰ বীৰ-সকলে আজিপৰ্যন্ত এটা বান্দৰ-সেনাকো বধিব নোৱাৰিলে। এতিয়া—তুমি বান্দৰমখাক বধ কৰি আমাৰ স্বৰ্ণলংকা ছাৰেখাৰে যোৱাৰপৰা ৰক্ষা কৰাঁ—এয়ে হ'ল মোৰ অনুৰোধ। এই কাৰণেই তোমাৰ নিদ্ৰা অকালতে ভংগ কৰিলোঁ।"

ৰাৱণ মহাৰাজৰ কথাত কুম্ভকৰ্ণই

হুঁ সি ক'লে, "আগতে আমি যি আশংকা কৰিছিলোঁ—সেয়ে সত্য হ'লগৈ। সীতা-অপহৰণৰ পাপে আমাক স্পৰ্শ কৰিলে, আৰু সেই পাপৰ পৰিণাম-ফল ইতিমধ্যেই নিৰ্দোষ-নিষ্কলংক ৰাক্ষস ভ্ৰাতৃ কিছুমানে ভুগিলে। এই প্ৰসংগত আমাৰ ভ্ৰাতৃ-বিভীষণে যি কৈছিল, আমাৰ হিত চিন্তিয়েই কৈছিল।"

কুম্ভকৰ্ণৰ কথাত ক্ষুব্ধ ৰাৱণে ফাই উঠি ক'লে, "মোতকৈ বয়সত সৰু হৈয়ো তুমি মোক উপদেশ দানিছা? এতিয়াহেনে এইবোৰ কথা লৈ চৰ্চ্চি থকাৰ সময়? অতীতৰ কথা লৈ পিটিকি চোৰাৰ সময় এয়েহেনে? এতিয়া দেখোন বিক্ৰম-পৰাক্ৰম—যদিহে সেইফেৰা বস্তু আমাৰ আছে—তাকে দেখুউৱাৰ সময়!"

ৰাৱণৰ কথাৰ উত্তৰত কুম্ভকৰ্ণই ক'লে, "হে ৰাক্ষসৰাজ! মই তোমাৰ কনিষ্ঠ ভ্ৰাতা, আৰু তোমাৰ হিতৈষী। সেই কাৰণে কথাখিনি কৈছিলোঁ। যদি তুমি নৰকুলজাত ৰামচন্দ্ৰৰ। কথাত ইমান দুশ্চিন্তিত, সেই দুশ্চিন্তা পৰিহাৰ কৰা। মই ৰাম-লক্ষ্মণক বধি, বানৰক খেদি, খাই-মাৰি খাস্তাং কৰিম, আমাৰ মৃত ৰাক্ষসাত্মা-বিলাকক সন্তোষ প্ৰদান কৰিম। মই জীয়াই থাকোঁমানে ৰামচন্দ্ৰই তোমাৰ নোম এডালিও স্পৰ্শ কৰিব নোৱাৰিব।"

তেতিয়া মহোদৰ মহাশয়ে কুম্ভকৰ্ণক কুঠাৰ জৰা দি কৈ থাকিল, "কুম্ভকৰ্ণ! ৰাৱণে সীতাক অপহৰণ কৰাৰ দায়িত্ব কেৱল ৰাৱণৰে নহয়, আমাৰো। ৰাৱণে সীতাক লৈ অহাৰ আগতে আমাক জনে জনে সুধিছিল, আৰু আমিও তেতিয়া আগম-পুৰাম নোচোৱাকৈয়েই ৰাৱণৰ কথাত হয় কৰিছিলোঁ। গতিকে—এবাৰও একেবাৰে নোসোধা-নোপোছাকৈ ৰাৱণে মইমতালিৰে এই কৰ্ম কৰা বুলি একোপধ্যে ক'ব নোৱাৰি। এতিয়া তুমি তোমাৰ পৰাক্ৰমৰ গৌৰৱ প্ৰদৰ্শন কৰিছা; আৰু

কেৱল তুমিয়েই ৰণজয় কৰিবা বুলি ভাবিছা। তোমাৰ এনে ওফাইডতীয়া কথা-বার্তা ঠান-ভান মই ভাল পোৱা নাই, ভাল দেখা নাই। ৰামচন্দ্ৰই অকলেই অসংখ্য ৰাক্ষসক বধিলে। সেই ৰামচন্দ্ৰক তুমি অকলেই কেনেকৈনো বধিবা? ৰণথলীত ৰামৰ নাম শুনিলেও কিমান যে ৰাক্ষসৰ প্ৰাণবায়ু নিৰ্গত হৈছে —তাৰ সীমা-সংখ্যা নাই।"

তাৰ পাছত মহোদৰে মহাৰাজ ৰাৱণক ক'লে, "তুমি আমাৰ মাজৰপৰা বাছি লৈ কিছুমানক ৰণক্ষেত্ৰলৈ প্ৰেৰণ কৰা। আমি যদি নৰকুলজাত সেই ৰাম-লক্ষ্মণক বধিব পাৰোঁ, ভালেই, নতু তাৰপৰা উভতি আহি তোমাৰ আগত এই বিবৰণ দাখিল কৰিম যে—আমি ৰাম-লক্ষ্মণক খাই শেষ কৰিলোঁ। তুমি তেতিয়া লংকাপুৰীত উছৱ পাতিবা, আৰু তেতিয়া নিতান্ত নিৰুপায় সীতাই তোমাতে নিজক সমৰ্পিব, আৰু তুমি সীতাক তোমাৰ অংকশায়িনী কৰি ল'বা। বিনাযুদ্ধেৰেই তোমাৰ কাম হাছিল হৈ যাব।"

মহোদৰৰ কথা শুনি কুম্ভকৰ্ণৰ গাত জুই লাগিল। কুম্ভকৰ্ণই মহোদৰক ডবিয়াই কৈ উঠিল, "চুপ থাকা! আগলৈ এনেহেন নলগা জেওাত নালাগিবা কৈছোঁ—তেতিয়া কি গছৰ গুটি খালে যমৰ আলহী হোৱা যায়—জানি যাবা। তোমাৰ দৰে ডকক আৰু বুদ্ধিহীনবদ্বাৰা কোনো কাম নহ'ব। তোমালোকৰ দৰে অসোধৰ টেকেলা অশ্ৰদ্ধাৰ ওকণীসিলাকৰ কাৰণেহে আজি এই ত্ৰিলোকবিজয়ী মহাপ্ৰতাপী মহাৰাজ ৰাৱণও বিপৰ্য্যস্ত-বিড়ম্বিত হৈ পৰিছে। যুদ্ধলৈ যদি তোমালোকৰ ইমানেই ডৰ, তেনেহ'লে ৰাক পিন্ধি অন্দৰমহলৰ এচুকত শুই থাকাগৈ। ৰজাৰ সকলো কথাতে 'হয়' কৰাৰ বাহিৰে তোমালোকৰ বোধ-বুদ্ধি বোলা পদাৰ্থ একেবাৰেই নাই দেখিছোঁ।

তোমালোক হ'লা হাই দি খোৱা, ৰিং দি পলোৱাবিধৰ শঠ। মিত্ৰ। তোমালোকৰ কাৰণেই আজি লংকাপুৰীৰ সৰ্বনাশ সমুপস্থিত। তোমালোকে নিজৰ ৰজাকো শত্ৰুৰ দৰেই জ্ঞান কৰিছা, আৰু সেইহে—যতমানে সৰ্বনশীয়া বুদ্ধি দিছা যেন পাওঁ। তোমালোকৰ অৱহেলাজনিত ভুলবোৰ শুধৰাবলৈ মই ৰণক্ষেত্ৰলৈ আগ বাঢ়িছোঁ।"

কুম্ভকৰ্ণৰ কথা শুনি মহাৰাজ ৰাৱণে হো হো কৰে হাঁহি উঠিল আৰু ক'লে, "ৰাম' নামটো শুনিলেই মহোদৰ মৰাৰ আধৰুৱা যেন হয়। সেইহে যুদ্ধ তাক নালাগে। মোৰ মতে—তোমাতকৈ বল-বীৰ্য্যসম্পন্ন আমাৰ মাজত কোনো নাই, আৰু মোৰ ইমান নিকটস্থও আন কোনো এজনো নাই। তুমি অনতিপলমে ৰণথলীলৈ আগ বাঢ়া। 'তোমাক দেখা মাত্ৰেই বান্দৰমখাই যে ফৰিংছিটিকা দিব —কোনো সন্দেহ নাই। আনকি তোমাক দেখি ৰাম-লক্ষ্মণৰ যদি কলিজা ফাটি মৰণ হয়—তাতো আচৰিত হ'বলগীয়া নাই।"

*

ৰামচন্দ্ৰৰ উৎসাহব্যঞ্জক কথাষ্ট শুণ দিলে। সাধাৰণ বানৰ সৈন্যই বুকুত বল পালে। বৃক্ষ-প্ৰস্তৰাদি লৈ সিহঁত পুনৰ ৰণথলীলৈ আগুৱান হ'ল। সিহঁত মত্ত হস্তীৰৎ কুম্ভকৰ্ণৰ বিৰুদ্ধে ৰণ দিবলৈ ধৰিলে। কিন্তু সিহঁতে যিবোৰ বৃক্ষ-প্ৰস্তৰ কুম্ভকৰ্ণৰ গালৈ দলিয়াবলৈ ধৰিলে, তাৰে কুম্ভকৰ্ণৰ নোম এডালিও পোনাব নোৱাৰি সিহঁত বিস্মিত-বিমুগ্ধ হ'ল। কুম্ভকৰ্ণই কিন্তু নিৰৱচ্ছিন্নভাবে বানৰবোৰক অসংখ্য সংখ্যাত বধি থাকিল।

তেতিয়াহে বানৰবোৰে গমিলে—কুম্ভকৰ্ণ কাৰ নাম। এইবাৰ সিহঁতে পিছলৈ উভতি নোচোৱাকৈয়েই ফেঁটীৰ মূৰ ছিঙা লৰ দিবলৈ ধৰিলে। সিহঁতক যিহে থালী ভগা জুয়ে খেদিলে—আন একো ভবাৰ বা কৰাৰ ইচ্ছা বা সময়

সিহঁতৰ নাছিল। কেৱল পলাইহে যিকেইটা সাৰিব পাৰিছিল সাৰিছিল, কিছুমানে হোঁহকা দি সাগৰ-বন্ধনৰ সেতু লেতু-সেতু হৈ পাইছিলগৈ।

অংগদে বানৰসকলক সিহঁতৰ এই হোঁহকা দিয়াৰ তথা যুদ্ধক্ষেত্ৰৰপৰা পলাই পাৰ পোৱাৰ মনোবৃত্তিৰ বিষয়ে সাৱধান কৰি আছিল। অংগদে কৈ আছিল: তোমালোকে পলাই নাযাবা, ইমান অগণিত বানৰে এটা কুম্ভকৰ্ণক দেখি ভয়তে কেঁকোৱাৰ গাঁত বিচৰাটো সমগ্ৰ বানৰকুলৰ পক্ষে অতি লজ্জাৰ কথা।



কিন্তু বানৰসকলে কৈ থাকিল যে—অৱস্থা যি হৈছে, কথমপি জীয়াই থাকিব পৰাটোকো এতিয়া বীৰতা বুলিয়েই গণিব-মানিব লাগিব।

তথাপি, ভালেমান বানৰে অংগদৰ কথাত লাজ পাই পুনৰ ঘূৰি অহিল, যুদ্ধাভিমুখী হ'ল।

পলৰীয়া বানৰসকলক ঘূৰাই অনাৰ কামত বীৰ হনুমানেও যথেষ্ট পৰিমাণে সহায় কৰা হ'ল।

তাৰ পাছত—হনুমানে সৈনাপত্য গ্ৰহণ কৰি—ঋষভ, শৰভ, মৈন্দ্য, ধূম্ৰ, নীল, কুমুদ, সুষেণ, গৱাক্ষ, ৰম্ভ, তাৰ, দ্বিবিদ আৰু পনস নামৰ বীৰ বানৰক লগত লৈ পুনৰ ৰণ দিবলৈ ওলাই পৰিল।

ইতিমধ্যে কুম্ভকৰ্ণই বানৰবিলাকক থাপ মাৰি ধৰি ধৰি কেঁচাই কেঁচাই চোবাই খাই আছিল। দ্বিবিদই এটা পাহাৰ উপাৰি লৈ যুদ্ধলৈ আগুৱান হ'ল। দ্বিবিদই সেই পাহাৰটো কুম্ভকৰ্ণৰ দেহলৈ টোৱাই দলিয়াই দিলে, কিন্তু সামান্য লক্ষ্যভ্ৰষ্ট হৈ সেই বিৰাট পাহাৰটো পৰিলগৈ ৰাক্ষস সৈন্যহঁতৰ ওপৰলৈ। পাহাৰৰ তলত চেপা খাই কুম্ভকৰ্ণৰ সলনি অসংখ্য ৰাক্ষস নিহত হ'ল।

তাৰ পাছত দ্বিবিদই আন এটা পাহাৰ বলেৰে উপাৰি আনি কুম্ভকৰ্ণলৈ

দলিয়ালে। তাৰ ফলতো কুম্ভকৰ্ণৰ কোনো অনিষ্ট নহ'ল, কিছুমান ৰাক্ষস নিহত হ'ল। ইপিনে—ৰথাৰূঢ় ৰাক্ষসসৈন্যইঁতে বহু সংখ্যক বানৰকো কচুকটা দিলে। বানৰবিলাকেও বৃক্ষ-প্ৰস্তৰেৰে ভালেমান ৰাক্ষস-সৈন্যক বধিলে।

হনুমানে তেতিয়া আকাশলৈ উৰা মাৰিলে আৰু আকাশমাৰ্গৰপৰা অসংখ্য বৃক্ষ আৰু বিৰাট বিৰাট প্ৰস্তৰ কুম্ভকৰ্ণলৈ বৃষ্টিধাৰাৰ দৰে নিক্ষেপ কৰিবলৈ ধৰিলে। কুম্ভকৰ্ণই শূলেৰে সেইবোৰ বৃক্ষ—প্ৰস্তৰ চূৰ্ণ-বিচূৰ্ণ কৰিলে। তাৰ পাছত কুম্ভকৰ্ণই শূলেৰে বানৰবিলাকক খেদি থাকিল। ইত্যৱসৰত হনুমানে এটা পাহাৰ দাঙি ধৰি কুম্ভকৰ্ণলৈ জোৰেৰে মাৰি পঠিয়ালে।

এইবাৰ কুম্ভকৰ্ণ কিঞ্চিত ঘাইল হ'ল। কুম্ভকৰ্ণৰ দেহৰপৰা ধাৰাসাৰ তেজ ওলাই থাকিল। কিন্তু তথাপি কুম্ভকৰ্ণই তেওঁৰ শূলপাট দলিয়াই হনুমানৰ বক্ষস্থল ভেদিলে। শূলাঘাতৰ ফলত হনুমান তীব্ৰভাবে আৰ্তনাদ কৰি উঠিল আৰু হনুমানৰ মুখৰপৰা জোলোকা-জোলোকে তেজ ওলাই এসময়ত হনুমান মূৰ্ছিত হৈ অকাশমাৰ্গৰপৰা তললৈ বাগৰি পৰিল।

তেতিয়া নীল নামৰ বানৰ বীৰে কুম্ভকৰ্ণৰ ওপৰলৈ আন এটা পাহাৰ দলিয়াই মাৰিলে। কিন্তু কুম্ভকৰ্ণই মুষ্ট্যাঘাতে নীল-নিক্ষপ্ত পাহাৰ চূৰ্ণ-বিচূৰ্ণ কৰি পেলালে। তাৰ পাছত—ঋষভ, শৰভ, নীল, গৱাক্ষ আৰু গন্ধমাদনে একেলগে কুম্ভকৰ্ণক চাৰিওফালৰপৰা আগুৰি ধৰি বৃষ্টিধাৰাৰ দৰে অজস্ৰ মাৰকিল কৰি থাকিল। কিন্তু কুম্ভকৰ্ণই যেনিবা গা-পিটিকোৱাৰ সুখহে অনুভৱ কৰি থাকিল। তাৰ পাছত কুম্ভকৰ্ণই সেই পঞ্চ বানৰপ্ৰমুখক এনেকৈ ভুকুৱালে যে সেই পাঁচোজন বানৰ বীৰেই মুখেদি তেজ বঁতিয়াই অচেতন হৈ পৰি থাকিল।

পাদুকা-যোগী

মহাৰাজ চন্দ্ৰসেনৰ বিদূষক আছিল বিভূষণ। এদিন মহাৰাজে বিশেষ এটা কথাত ভাল পাই বিদূষক বিভূষণক ক'লে, "শুনা, ভূষণ, মোৰ লোকচান নোহোৱা আৰু তোমাৰ লাভ হোৱা কিবা এটা খোজা, মই তোমাক দিম।"

ভূষণে ক'লে, "মহাৰাজ, বিদূষকইতৰ কপাল হ'ল দেৱতো নলগা ভকততো নলগা। যেই কি নহওক, আপুনি দিব খোজা বস্তু মই যথা সময়ত খুজি ল'ম।"

মহাৰাজ চন্দ্ৰসেনৰ একমাত্ৰ ল'ৰাটো আছিল কিছু উদণ্ড প্ৰকৃতিৰ।

এদিন মহাৰাজে কথাই কথাই বিদূষক বিভূষণক এই কথাটো কোৱাত বিদূষাক ক'লে, "তাৰ কাৰণে ইমান দুশ্চিন্তা কিহলৈনো, মহাৰাজ? টোলৰ গুৰুৰে আমাৰ যুৱৰাজক শুধৰাবলৈ ইয়ালৈকে পঠোৱা হৈছে, আকৌ টোলত অধ্যয়নও কৰোৱা হৈছে। চিন্তা কি?"

"সকলোটিয়েই এনেকৈয়েই কয়। পিছে—সিহে একাপধ্যে সেও নহয়। টোলৰ গুৰুৰে তাক পোনাবলৈ ইয়ালৈ পঠাই দিয়ে, কিন্তু তাক একোপধ্যে পোনাব নোৱাৰিছোঁ।" মহাৰাজে ক'লে।

"আচল কথা হ'ল—লো-ৰপৰা তেল এটোপা ওলালেও ওলাব পাৰে, বা মৰীচিকাৰপৰা পানী, বা শহাপহুৰ শিং। কিন্তু মূৰ্খৰপৰা তিলমান বুদ্ধিমত্তাও নোলাব।" বিভূষণে ক'লে।

শুনিয়েই মহাৰাজ চন্দ্ৰসেন ক্ৰুদ্ধ হৈ উঠিল ক'লে, "তাৰ মানে—আমাৰ পুত্ৰক তুমি মূৰ্খ বুলি কৈছা? তোমাক মই

বসুধৰ খাটনিয়াৰ



এতিয়াই কাৰাগাৰলৈ নিক্ষেপ কৰিম।"

বিভূষণে টপৰকৰে কৈ উঠিল, "মহাৰাজ, মোৰ ভুল হ'ল, ক্ষমা কৰক।"

কিন্তু মহাৰাজৰ ক্ৰোধাগ্নি নুনুমাল।

তেতিয়া বিদূষক ৰিভূষণে মহাৰাজক ক'লে, "মহাৰাজ! আপোনাৰ লোকচান নোহোৱা, মোৰ লাভ হোৱা সেই বস্তু—এতিয়া মোক লাগে। মোৰ ভুলৰ দণ্ডস্বৰূপ আমাৰ ৰাজকীয় দেৱ-মন্দিৰলৈ অহা ভক্তসকলৰ জোতা মই চাফা কৰি দিম। কিন্তু—মই যে আপোনাৰ প্ৰদত্ত দণ্ডৰ পৰিৱৰ্তে এই কাম কৰিম—এই কথা এ:কা:ধ্য ফাদিল হ'ব নালাগে।"

এই কৰ্মও কাৰাগাৰত বন্দী থকাতকৈ কম দণ্ড নহয়—এই কথা ভাবি মহাৰাজে এই প্ৰস্তাৱত স্বীকৃতি দিলে।

পাছদিনাৰেপৰাই বিদূষক বিভূষণ মন্দিৰৰ প্ৰবেশপথত বহি লৈ কৈ থাকিল, "আমাৰ মাননীয় ভক্তসকল! মই দেৱ-দৰ্শনলৈ অহা আৰু দেৱদৰ্শন কৰি উভতি যোৱা ভক্তসকলৰ পাদুকা (জোতা) পৰিষ্কৃত কৰাৰ ব্ৰত গ্ৰহণ কৰিছোঁ। এইদৰে মই মোৰ মাজত থকা অশুভ অহংকাৰৰপৰা মুক্ত হ'ব খুজিছোঁ।"

প্ৰথমৰ ফালে কিছুমান মানুহে বিদূষক বিভূষণৰ এই কাৰ্য্যক ভেঁকো-ভাৱনা বা মিছা ভাও বুলি প্ৰকাশ্যেই মন্তব্য কৰিছিল, কিছুমানে ইতিকিং কৰিছিল। কিন্তু যেতিয়া ধনী-মানী ভক্ত-দৰ্শকসৱৰপৰা দুখীয়াৰো দুখীয়া দৰ্শক-ভক্তৰো পাদুকা (জোতা) পৰিষ্কাৰ কৰি থাকিল বিদূষক বিভূষণে, তেতিয়া এইখিনি মানুহৰ মনতো পৰম শ্ৰদ্ধাৰ ভাব জাগ্ৰত হ'ল।

এইদৰে ভালেমান দিন অতিবাহিত হ'ল। মানুহৰ মনত বিদূষক বিভূষণৰ প্ৰতি শ্ৰদ্ধাৰ আসন ইমানেই স্থায়ী হ'ল, যে তেওঁলোকৰ মাজত বহুতে আনকি এই পাদুকা-পৰিষ্কাৰকাৰীক সাষ্টাংগে প্ৰণামও কৰা হ'ল। কিছুদিনৰ অন্তত

মন্দিৰলৈ অহাইতে দেৱদৰ্শনৰ লগ ত এই পাতুকা-পৰিষ্কাৰকাৰীকো দৰ্শন কৰিবলৈ অহা হ'ল।

এইদৰে, বিদূষক বিভূষণক ৰাইজে 'পাতুকা-যোগী' বুলি কোৱা হ'ল।

আৰু এই সম্বাদ মহাৰাজৰও কৰ্ণগোচৰ হ'ল।

সম্বাদ পায়েই স্বয়ং মহাৰাজ সপৰিয়ালে পাতুকা-যোগীক চাবলৈ ওলাল। তেওঁ বিদূষক বিভূষণক দেখি বিস্মিত হৈ পৰিল। বিভূষণে মহাৰাজৰ পাতুকাও পৰিষ্কৃত কৰিলে আৰু তাৰ পাছত তাত উপস্থিত থকা মানুহখিনিক ক'লে, "মহাশয়সকল, আজি মোৰ এই বৰতৰ পৰিসমাপ্তি হ'ল। আজিৰপৰা আপোনালোকৰ মাজত কোনোবাই মন কৰিলে এই কাম কৰক।"

এজন নহয়, দুজন নহয়—ভালেমানেই 'মই বহিম' 'মই কৰিম' বুলি আগ বাঢ়ি আহিল। বিদূষক বিভূষণে তেওঁলোকক শান্ত কৰি তেওঁলোকৰ মাজৰপৰা এজনক 'পাতুকা-যোগী'ৰূপে বাছি উলিয়ালে আৰু সেই নতুন পাতুকা-যোগীক ক'লে, "তুমি যেতিয়া আৰু এই সেৱা নকৰা হ'ব, তেতিয়া তুমিয়েই আজিৰ দৰে আন এজন পাতুকা যোগী বাছি উলিয়াবা।"

তাৰ পাছত মহাৰাজ চন্দ্ৰসেনে বিদূষক বিভূষণক ক'লে, "শুনা, মোৰ খং উঠিল, তোমাৰ দণ্ড মিলিল, তুমি জোতা



চাফাকাৰী হিচাপে দণ্ডভোগ কৰি থাকিলা, পিছে—'যোগী' কেনেকৈ হ'লা ?"

"মহাৰাজ, মুনি-ঋষিগণে যদি ওপৰ-ঠেঙীয়া তল-মুৰা হৈ থাকে, তেতিয়া তাক 'তপস্যা' বোলা হয়। কিন্তু এটা চোৰক তেনেকৈ থৈ দিলে তাক বোলা হয়—দণ্ড। হয়নে নহয় ? তেনেকৈয়েই মোক আপুনি যেনেকুৱা দণ্ডকে নিদিয়ক, মই তাৰেপৰাই গৌৰৱ আৰ্জি ল'ব পাৰিম। মোৰ এই জোতা-চাফা-কাম যে আচলতে 'দণ্ড' আছিল — কোনেও গম নাপাইছিল বুলিহে মোক 'যোগী' বুলি কোৱা হৈছিল।"

"তোমাৰ এই কামৰ আঁৰত নিশ্চয় কিবা গূঢ় উদ্দেশ্য আছে। কি উদ্দেশ্য—খুলি-মেলি ক'বানে ?" মহাৰাজে সুধিলে।

"মহাৰাজ! টোলৰ গুৰুৱে যুৱৰাজক যি দণ্ড দি পঠিয়াইছিল, সেই দণ্ডক যুৱৰাজে আৰু আন সৱেও দণ্ড বুলি চিনি পাব লাগিছিল। তেতিয়াহে যুৱৰাজৰ মনত অনুতাপৰ তথা পৰিৱৰ্তনৰো সৃষ্টি হ'লহেঁতেন। টোলৰপৰা দণ্ডলাভ কৰি ৰাজপ্ৰাসাদ পাই সদায় যদি তিৰস্কাৰৰ পৰিৱৰ্তে সুখত পুৰস্কাৰকে লভে যুৱৰাজ, কেনেকৈনো যুৱৰাজৰ পৰিৱৰ্তন হ'ব ? দণ্ডক তাৰ দণ্ডিত ৰূপতে চিনি পাব লাগিব, তেহে চৰিত্ৰ-পৰিৱৰ্তন হ'ব, বিদূষকে ক'লে।

মহাৰাজ চন্দ্ৰসেনে অলপ সময়লৈ বিদূষকৰ কথাটো ভাবি চালে আৰু ক'লে, "তুমি পাদুকা যোগীয়ে কথাটো হওঁতে ঠিকেই কৈছা। আগলৈ যুৱৰাজে 'দণ্ড'ক প্ৰকৃত 'দণ্ড'ৰূপে দেখা পাব আৰু টোলৰ গুৰুদেৱকো এই কথা কৈ দিয়া হ'ব যে—টোলত যুৱৰাজ কোনো যুৱৰাজ নহয়, শিক্ষাৰ্থী মাথোন, গতিকে — শিক্ষাৰ্থী এজনৰ প্ৰাপ্য দণ্ড যুৱৰাজকো টোলতে দিয়া হয় যেন।" এই কথা কোৱাৰ অন্তত মহাৰাজে বিদূষক বিভূষণক তাৰ সজ পৰামৰ্শৰ বাবে বহুমূল্য উপহাৰ দিলে।



নৰাক্ষৰী দণ্ড

স্পেনদেশত কোনোবা এজন অনক্ষৰ সামন্ত আছিল। এই অনাখৰী-সামন্তজনৰ ওনাওনে ধন আছিল, অনেক চাকৰ-নাকৰ আছিল, ইটো-সিটো কামৰ বাবেও আছিল ভালেমান কৰ্মচাৰী। গতিকে—এই সামন্তৰ বক্তব্য হ'ল: ধন দিলে সোণ. সোণ দিলে দঁতাল হাতীও পোন। আখৰ নিচিনিলে পঢ়িব নাজানিলেও কোনো কথা নাই। আৰু—ধন-মান প্ৰতিপত্তি থাকে যদি, তেনেহ'লে লিখন-পঢ়ুনেৰেনো কি গায়নৰ জেঙা মাৰিবহে? যদিও—কাচিত ক'বাৰপৰা চিঠি আহে যদি, পত্ৰ দিয়ে যদি, তেনেবিধ বস্তু পঢ়িবলৈ পঢ়া-লিখা জনা এটামান লাগে, যেনে—ঘৰ-দুৱাৰ সাৰিবলৈ-পুছিবলৈ মানুহ লাগে. তেনেকৈ—সাগে. আৰু লাগে বুলিয়েই তেওঁও পঢ়া-লিখা জনা কিন্তু খাবলৈ নোপোৱা কেলেহুৱা এটাক সেইবিধ কামৰ বাবে ৰাখি থৈছেই।

এদিন দেশৰ ৰজাৰপৰা হুকুমনামা আহিল। সেই হুকুমনামাত কি আছে কি নাই জানিবলৈ সেই 'কেলেহুৱা'টোকে সামন্তই পঢ়ি দিবলৈ ক'লে। ৰজাৰ হুকুমনামাত লিখা আছিল: নিজৰ সৈন্য-হঁতক লৈ ৰণথলীলৈ যাব লাগে।

শুনিয়েই সামন্তই-তাৰ হালোৱা-জালোৱাবিলাকক সৈন্যৰূপে লৈ ৰণথলীলৈ গ'ল। পঢ়া-লিখা জনা 'কেলেহুৱা'টোকো লগত লৈ গ'ল। কিন্তু সেই 'কেলেহুৱা'-মানুহজনক শত্ৰুৱে কঁড়িয়াই মাৰি পেলালে।

লগে লগে সামন্ত সমস্যাত পৰিল।

'স্পেনদেশৰ লোক-কথা'

ঠিক সেইদিনাই ৰজাৰ কটকীয়ে এখন পত্ৰ লৈ আহিল ৰজাৰপৰা। কটকীয়ে-ৰজাই পঠোৱা পত্ৰখন বিপাঙত পৰিল। এতিয়া কি হ'ব ? কোনে পঢ়ি দিব ?

এন্ধাৰত খেপিয়াই থকাৰ দৰে ৰজাৰ পত্ৰখন হাতত লৈ সামন্তই অস্থিৰভাবে ছটফটাই থাকোঁতে সামন্তৰ চিনাজনা আৰু পঢ়া-লিখা জনা এজন সৈনিক সেই পোনে আহি থকা দেখা পাই সামন্তই তাক হাত-বাউল দি মাতিলে আৰু সৈনিকজনক পত্ৰখন তাৰ হাতত দি সামন্তই পত্ৰখন তাক পঢ়ি দিবলৈ ক'লে। অৱশ্যে—পত্ৰৰ বিষয়বস্তু সি যাতে কালৈকো নকয়, সেই কথাটোও তাক সোঁৱৰাই দিলে।

ইপিনে—এই সৈনিকজনৰ আছিল সামন্তৰ ওপৰত পুৰণি খং। এটা সৰু-সুৰা ভুলৰ কাৰণে কিছুদিনৰ আগতে সামন্তই সৌকাৰে চাৰৌপ চাৰৌপকৈ তাৰ পিঠিত বাবৰি ফুল বাছিছিল। গতিকে—সৈনিকজনে এইবাৰ কিঞ্চিত হোৰ তোলাৰ মনেৰে ৰজাৰ পত্ৰখন পঢ়ি সামন্তক ক'লে : এস্! খবৰ বৰ বেয়া দেখোন! ৰজাই এতিয়াই আপোনাক ৰাজধানীলৈ গৈ তেওঁক লগ ধৰিবলৈ লিখি পঠাইছে। কিয়নো—আপুনি ৰাজদ্ৰোহী বুলি কোনোবা-কুনুবিয়ে ৰজাক লগাইছেগৈ। এই পত্ৰত ৰজাই ক্ৰুদ্ধ সেই কথাকে লিখি পঠাইছে। এয়া চাওক।"

"কি! মইহেনে ৰাজদ্ৰোহী ? এইবোৰ উৰা-বাতৰি ৰটি ফুৰাহঁতক কেনেবাকৈ এবাৰ ধৰিব পাৰিলেই পোনে পোনেই ঘচং কৰিম।" সামন্তই ৰণচণ্ডী উঠি এই সৈন্যজনক ক'লে।

যি কি নহওক, সামন্তই তৎক্ষণাৎ দূৰণিবটীয়া ৰাজধনীালৈ বুলি ঘোঁৰাত উঠি ৰাওণা কৰিলেন। গৈ গৈ য'ত ৰাতি হ'ল, তাত কাতি হ'বলৈ কোনো ঠায়েই

বিচাৰি নোপোৱা হ'ল। ঘোঁৰাটোক গছ এজোপাত বান্ধি থৈ সামন্তই মাটিতে লেটি ল'লে আৰু চকুৰ পচাৰ পৰোঁতে-নৌপৰোঁতেই টোপনিত লাল-কাল দিলে।

পুৱা সাৰ পাই উঠি দেখিলে—তাত এচটা ফলিত কিবাকিবি লিখা আছে। ফলিত লিখা আছিল : ওচৰ নাচাপিবা, বিপদ হ'ব !'

যদিও অনাখৰী—সামন্তই পঢ়িব নোৱাৰিব, তথাপি ফলিত কি আছে কি নাই চাবলৈ গৈ তাত থকা বিৰাট গাঁত এটাত উজুটি খাই পৰিল আৰু ভৰিত বৰকৈ মোচোকা খাই কেঁকাই থাকিল।

তাৰ পাছত অতি কষ্টে-মষ্টে এখন খাঁজিখোৱা পাই তাত ৰ'লগৈ।

খাঁজিখোৱাত আচৰিত ভাবে চুবুৰীয়া গাঁৱৰে চিনাকি মানুহ এজনক সামন্তই লগ পালে আৰু মানুহজনক ক'লে, "তুমি একেবাৰে যাক বোলে দেৱদূতৰ দৰে ইয়ালৈ ওলাইছাহিহে ! মই এই ভৰিত মোচোকা খাই পৰি আছোঁ। ইপিনে ৰজাই মোক ইতলা দি পঠাইছে। তুমি এখন চিঠি লিখি দিয়াচোন মহাৰাজলৈ, যে—মই অসুস্থ, সুস্থ হোৱা মাত্ৰেই লগ ধৰিমগৈ তেওঁক।"

এই মানুহজনৰও সামন্তৰ ওপৰত পুৰণি খং আছিল, আৰু সামন্তই কোৱা মতে নিলিখি, ৰজাক গালি-শপনিৰে কুকুৰে কাঁইট নোখোৱা কৰি অগৰম-বগৰম কিবাকিবি লিখি দিলে, আৰু সামন্তই তাৰে তলত নিজৰ মোহৰ লগাই চিঠিখন মহাৰাজলৈ পঠাই দিলে।

এই চিঠি পাই ৰজা সাতকুৰা অগ্নিমূৰ্তি হ'ল আৰু এই সামন্তক জীয়া বা মৰা—যেই কোনো প্ৰকাৰেৰে বান্ধি আনিবলৈ ছিদাংকৈ আদেশ দিলে।

বান্ধি লৈ অহা সামন্তক ৰজাই কাৰাগাৰলৈ নিক্ষেপ কৰিলে। কিন্তু সামন্তবপুৰাই কোনো বাদ-প্ৰতিবাদ

এ:কারেই নকৰি মুখত সোপা লৈ জুপুকা মাৰি বহি থাকিল। তাৰ হাৱ-ভাৱ হ'ল ঃ হোৱা কথা হ'ব, কোনেনো কি ক'ব ?

তেতিয়া ৰজাক ন্যায়াধিকাৰীয়ে—ৰজাক ক'লে, "মহাৰাজ। চাই-চিন্তি মোৰ মনত এটা সন্দেহে উক দিছে। এওঁ আপোনালৈ ঃ পাঠোৱা পত্ৰখনৰ বিষয়বস্তু হয়তো নিজও নপঢ়ি-নজানিয়েই নিজৰ মোহৰ মাৰি পঠাইছিল।"

আন এজন ৰাজকৰ্মচাৰীয়েও কৈ উঠিল, "এওঁক—এই সামন্তজনক অনাখৰী বুলি আমাৰ ৰাইজে আমি কোৱা শুনিছোঁ।

এই কথা শুনি ৰজাই কৈ উঠিল, "অনাখৰী ? অনক্ষৰ ? মই নিজেও পাঁচ বছৰ ধৰি চেষ্টা কৰি সাক্ষৰ হ'লোঁ, আৰু এই বুদ্ধিহীনে তাকো কৰিব নোৱাৰিলেনে ? কিন্তু—ই যে অনক্ষৰ—কেনেকৈনো প্ৰমাণিত হ'ব ?"

ন্যায়াধিকাৰীয়ে তেতিয়াই এখিলা কাগজত মোহৰৰ ছাপ মাৰিবলৈ সামন্তক ক'লেগৈ। ন্যায়ধিকাৰীয়ে সমান্তক ক'লে, "এই কাগজখিলাত তোমাৰ মোহৰৰ ছাপ মাৰি দিয়া, তোমাক মুক্তি দিয়া হ'ব।"

"কাগজখিলাত কি আছেনো ?"

ন্যায়াধিকাৰীয়ে সামন্তক মিছাকৈ ক'লে যে সেই কাগজখিলাত সি যে নিৰ্দোষ সেই কথা লিখা আছে।

লগে লগে সামন্তই একো নপঢ়াকৈয়েই তাৰ মোহৰেৰে ছাপ মাৰি দিলে।

ৰজাই ফটফটীয়াকৈ বুজি পালে যে সামন্তই অনক্ষৰ হোৱাহেতুকে সুবুজাকৈ কেৱল আনৰ মুখে খাই আনৰ কাণে শুনি নিজৰ মোহৰ মাৰি কটৰাত গল সুমুৱাইছিল। তথাপি তেওঁ সামন্তক দণ্ড নিদিয়াকৈ নাথাকিল।

ৰজাই সামন্তক বাধ্যতামূলক ভাবে এবছৰৰ ভিতৰত 'নৰ সাক্ষৰ হ'ব লাগিব—এই 'নৰাক্ষৰী দণ্ড' দিলে।



হাতে হানি

ধৰমপুৰত কমলনাথ নামৰ এজন বেপাৰী আছিল। নগৰতো তেওঁৰ ঘৰ-দুৱাৰ আৰু বেহা-বেপাৰ আছিল। প্ৰতি নিশ তেওঁ দোকান বন্ধ কৰাৰ অন্তত ঘৰৰ দুৱাৰ মাৰি বিক্ৰীৰ টকাখিনি গন্তি কৰিছিল।

এনিশা আনদিনৰ দৰেই কমলনাথে দিনটোৰ বেচা-কিনাৰ টকা হিচাপ কৰি মজিয়াত ঢাৰি পৰি বহি গন্তি কৰি থাকোঁতে হঠাৎ বাহিৰৰপৰা কোনোবাই দুৱাৰত খটখটালে। কমলনাথে টকাখিনি কাপোৰ এখনেৰে ঢাকি থৈ দুৱাৰখন খুলি দিলেগৈ।

দুৱাৰ খুলি কমলনাথে ৰামনাথক থিয় হৈ থকা দেখা পালে। ৰামনাথ আছিল কমলনাথৰ দূৰ-সম্পৰ্কীয় আত্মীয়। ৰামনাথ নিজে নিজেই কোঠাৰ ভিতৰলৈ আহিল আৰু ঢাকি থোৱা টকাখিনিৰ নিচেই কাষত ধুপুচ্‌কৈ বহি পৰিল।

কমলনাথে বিভ্ৰান্তৰ দৰে সুধিলে, "ইমান ৰাতি—ক'ৰপৰা আহিলা ?"

ৰামনাথে ধীৰে-শাঁতেই ক'লে, "সামান্য কম এটা আছে ভাই। যেনেতেনে পঁচিছটা টকা লাগে, আৰু — এতিয়াই লাগে।

"কথা কি জানা—সচ্ছহতে বেহা-বেপাৰ নমতহে আছে, কামত নাই। আজি— দোকানৰ পাঁচ টকাৰ বস্তুও বেচিব পৰা নাই। গতিকে — যদিও লাজৰে কথা' তথাপি উপায় নাই।" কমলে ক'লে।

ঠিক তেতিয়াই খোলা খিৰিকীয়েদি এজোলোকা বতাহ সোমাই আহিল আৰু চাকিটো নুমাই গ'ল আৰু কোঠাটোত নিমজ অন্ধকাৰ বিয়পি পৰিল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

লগে লগে কমলনাথে ৰামনাথৰ হাত দুয়োখনত ধৰি ব্যগ্ৰতাৰেকৈ থাকিল, "ৰামনাথ, বেয়া নাপাবা, মই—"

তেতিয়া ৰামনাথে ক'লে, "ঠিক আছে —নোৱাৰিবাই যেতিয়া—কথা নাই। আন ক'বাত চেষ্টা কৰি চাওঁগৈ। বাৰু, মই এতিয়া যাওঁ তেন্তে—।"

কিন্তু কমলনাথে ৰামনাথক নেৰিলে। তাৰ হাত দুখনত ধৰিয়েই থাকিল আৰু কৈ থাকিল, "নালাগে এতিয়া যাব ; তুমি মোৰ লগত বহি খাই-বৈ যাবা—।"

ঠিক তেতিয়াই আন এটা চাকি হাতত লৈ কমলনাথৰ পৰিবাৰ কোঠাটোত সোমালহি। কমলনাথে এইবাৰ ৰামনাথৰ হাত দুখন এৰি দিলে আৰু ক'লে, "পিছে ৰাতিও ভালেখিনিয়েই হ'ল, আৰু টকাৰ কাৰণে আন ঠাইলৈকো যাবা বুলিছাই যেতিয়া—যোৱা তেনে। যোৱাক কোনোবাই ৰাখিব পাৰেনে ? খোৱা-বোৱা—ইয়াতনে অইনত—বৰ ডাঙৰ কথা নহয়।"

ৰামনাথে ক'লে, "ওঁ, ওঁ—ঠিকেই কৈছা। খোৱাৰ কথাত খোৱা-কামোৰা কৰি লাভ নাই।" এই বুলি কৈ ৰামনাথ তেতিয়াই গ'লগৈ।

ৰামনাথৰ হাত দুখনত ধৰি গিৰিয়েকে ইমান কাবৌ-কাকুতি কিয় কৰিছিল—কমলনাথৰ পৰিবাৰে একো বুজি নাপাই সোধাত কমলনাথে হো হোৱাই হাঁহি মাৰি ক'লে, "হাৰে পাগলী ক'ৰবাৰ ! সি য'ত বহি আছিল তাতেই আছিল মোৰ কমেও পঁচিছহেজাৰ টকা। চাকিটোও হঠাৎ নুমাল। তাৰ হাত দুখনত নধৰিলে মোৰ টকাখিনিয়ে যদি ডেউকা মেলি তাৰ জেপত সোমালগৈহেঁতেন—তেতিয়া কথা কেনেকুৱা হ'লহেঁতেন তুমিয়ে কোৱাচোন বাৰু ? তাৰ হাত দুখনত তেনেকৈ টানি নধৰাহেঁতেন চাগৈ হাতে হানি হেৰুৱাবলগাত পৰিলোহেঁতেন !"



নীলবৰ্ণ গোলাপ !
এসময়ত যি কল্পনাক 'অসম্ভৱ—অসাধ্য' বুলি চিহ্নিত কৰা হৈছিল, অতি সম্প্ৰতি সেই 'অসম্ভৱ' কল্পনা বাস্তৱত ৰূপায়িত হোৱাৰ অপেক্ষাত। অষ্ট্ৰেলিয়াৰ কেইগৰাকীমান বৃক্ষ-বিজ্ঞানীয়ে যোৱা ৪ বছৰকাল গৱেষণা কৰি 'পেটুনিয়া' 'ইৰিছ' আদি ফুলৰপৰা নীলা বৰণৰ GENE বিচ্ছিন্ন কৰিবলৈ সক্ষম হৈছে আৰু এই জীৱ-তত্ত্বক (GENE) গোলাপ ফুলত সঞ্চাৰিত কৰিছে। যদি এই প্ৰচেষ্টা সফল হয়, তেনেহ'লে ১৯৯৩ চনতেই নীলবৰ্ণ গোলাপ'ৰ জন্ম হ'ব !



বিৰল শগুন !
ভাৰতত আঠ প্ৰজাতিৰ শগুন আছে! এই আঠ প্ৰজাতিৰ শগুনৰ মাজত পণ্ডিচেৰিৰ বিৰল প্ৰজাতিৰ শগুন লুপ্ত হৈ আহিছে বুলি ক'ব পাৰি। প্ৰকৃতপক্ষে, এইবিধ বিৰল প্ৰজাতিৰ শগুন এসময়ত শ্ৰীলংকা আৰু বাংলাদেশত পৰিলক্ষিত হৈছিল। কিন্তু সেই দেশ দুখনৰপৰা এই শগুন একেবাৰে লুপ্ত হৈছে। আমেদাবাদৰ কমলা নেহৰু চিৰিয়াখানাত এই প্ৰজাতিৰ মাত্ৰ তিনিটি শগুন আছে। ইয়াক 'ৰাজকীয় শগুন' বুলিও কোৱা হয়। এইবিধ শগুনে মানুহৰ সংস্পৰ্শ সদায় এৰাই চলে।

সৰ্বাধিক !
বিশ্বৰ জীৱিত প্ৰাণীবিলাকৰ মাজত গুবৰুৱাৰ ৰিশ্বৰ... সংখ্যায়েই সৰ্বাধিক, প্ৰকৃততে, ২৫০,০০০ প্ৰজাতিৰ গুবৰুৱা পৰিলক্ষিত হয়। পৃথিৱীৰ সকলো কীট-পতংগৰ হিচাপ যদি লোৱা হয়, তেনেহ'লে ৫,০০০,০০০ বিধৰ বিভিন্ন প্ৰজাতিৰ কীট-পতংগ বিচাৰি পোৱা যায়। আজিকোপতি কীট-পতংগৰ সৰ্বমুঠ সংখ্যা ১,০০০,০০০,০০০,০০০,০০০,০০০!





Don't you owe the
See my tail
It's out of a
Fairy Tale
Nice 'n' funny
I'm a Bunny
Your Bear Hugs
are warmer
than mine
Foxy is my name
But I'm oh-so tame

ittle one a cuddles?
I can't cha
no mice
But I'm
soft 'n' nice
Give the
Li'l Panda
a Handa
No carrots to eat
But I'm a treat
hug me tight
I'll give you
ide
The
CHANDAMAMA
Collection of Soft Toys
CHANDAMAMA TOYTRONIX

ফটো নামকৰণ প্ৰতিযোগিতা ঃ ঃ পুৰস্কাৰ ১০০ টকা।

পুৰস্কৃত নাম ১৯৯২ চনৰ নৱেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব ।

K.S. Vijayakar

M. Kameswara Rao

ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে

* মিল থাকিব লাগিব। ১৯৯২ চনৰ ছেপ্টেম্বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব ঃ

ঠিকনা ঃ CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল ঃ

প্ৰথম ফটো ঃ মৰমৰ চাৰনি। দ্বিতীয় ফটো ঃ জগাই তোলে সোঁৰৰণি।

দিগন্ত শৰ্মা, গাঁওবুঢ়াপাৰা, ভবৰঘাট, মংগলদৈ, দৰং।

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব ঃ

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্·
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে **105.00** ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে **111.00** ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA
(Assamese)

September 1992
Regd. No. TN/MS (S)/87